স্মৃতিগ্রন্থ

# সুরেন দাস মহাবিদ্যালয়

SOUVENIR





# সুৰেন দাস মহাবিদ্যালয়

## নৱ-নিৰ্মিত ভৱন উদ্বোধনী উৎসৱৰ শুভমুহূৰ্ত্তৰ স্মৃতিগ্ৰন্থ

২০ ফেব্ৰুৱাৰী, ১৯৮৬ চন

হাজো

## স্মৃতিগ্ৰন্থ উপ-সমিতি

| | |
|---|---|
| শ্ৰীনিৰেন দাস | তত্বাবধায়ক |
| শ্ৰীকুমুদ চন্দ্ৰ দাস | সদস্য |
| শ্ৰীঅবলা কান্ত আঠপৰীয়া | সদস্য |
| শ্ৰীসুধীৰ কুমাৰ দাস | সদস্য |
| শ্ৰীপ্ৰকাশ দাস | সদস্য |

## Souvenir Sub-Committee


| | |
|---|---|
| Shri Niren Das | *Convenor* |
| Shri Kumud Chandra Das | *Member* |
| Shri Abala Kanta Athpariah | *Member* |
| Shri Sudhir Kumar Das | *Member* |
| Shri Prakash Das | *Member* |

দানবীৰ, প্ৰসিদ্ধ সমাজসেৱক আৰু কলা-সংস্কৃতিৰ মহান পূজাৰী স্বৰ্গীয় সুৰেন্দ্ৰ চন্দ্ৰ দাস দেৱক আজি মহাবিদ্যালয়ৰ নৱ-নিৰ্মিত ভৱন উদ্বোধনী উৎসৱত আমি শ্ৰদ্ধাৰে সোঁৱৰিছো।

সুৰেন দাস মহাবিদ্যালয়ৰ
সমূহ ছাত্ৰ-ছাত্ৰী/শিক্ষক/কৰ্ম্মচাৰী
পৰিচালনা সমিতি আৰু
স্মৃতিগ্ৰন্থ উপ-সমিতি

## স্মৃতিগ্রন্থত


- এটি নাম : সুৰেন দাস মহাবিদ্যালয়
- সৌৰভ
- স্বৰ্গীয় সুৰেন ককাইদেউৰ সোঁৱৰণত
- স্বৰ্গীয় সুৰেন দাসৰ স্মৃতিত
- এগৰাকী সংস্কৃতি পূজাৰীৰ সোঁৱৰণত
- ধোপৰগুৰি সত্ৰ
- পুৰাণ প্ৰসিদ্ধ হাজো আৰু ইয়াৰ বৈশিষ্ট্য
- জ্ঞানৰ জ্যোতি
- পৰিৱৰ্তনৰ সোঁত
- হেমকোষ আৰু বানান-ৰীতি
- সুৰেন দাস মহাবিদ্যালয়
- Philanthropic Surendra Chandra Das
- A College of my Vision





সুৰেন দাস

জন্ম : ২০ ফেব্ৰুৱাৰী ১৯২৫ চন মৃত্যু : ১৮ মাৰ্চ ১৯৮২ চন

SUREN DAS

Date of birth : 20th February 1925 Expired on : 18th March 1982



RAJ BHAVAN
GAUHATI

February 14, 1986.

# MESSAGE

I am happy to learn that the building of the Suren Das College is being inaugurated on February 20, 1986. I am glad that the organisers are bringing out a souvenir to mark this important occasion.

I am sure the new building of the College will ensure better facilities for the students of the college and the college will be able to make a substantive contribution in the spread of higher education in the Hajo area.

I wish the College a bright future.

(Bhishma Narain Singh)



Phone : No. 88412
GUWAHATI—781 014
(India)
৭।২।৮৬

Vice-Chancellor
GAUHATI UNIVERSITY

## শুভেচ্ছা

মই জানিবলৈ পাই অত্যন্ত সুখী হৈছো যে ১৯৭৯ চনত ঐতিহ্যমণ্ডিত হাজোত স্থাপিত 'সুৰেন দাস মহাবিদ্যালয়ে' নিজৰ ঘৰলৈ যাব অহা ২০ ফেব্ৰুৱাৰীত। গুৱাহাটীৰ লব্ধপ্ৰতিষ্ঠ ব্যৱসায়ী ৺শ্ৰীযুত দাসৰ সোঁৱৰণত তেওঁৰ পৰিয়ালবৰ্গই মহাবিদ্যালয়ৰ বাবে ভৱনটো ৰাইজলৈ বুলি আগ বঢ়াইছে আৰু সেইহে গুণমুগ্ধ ৰাইজে মই জনামতে হাজোৰ আঞ্চলিক মহাবিদ্যালয়ৰ বৰ্তমান নামটো প্ৰদান কৰিছে। এই বিষয়ে সিদ্ধান্ত ৺দাস ডাঙৰীয়াৰ পৰলোক গমনৰ পিছতেই লোৱা হৈছিল। বৰ্তমানে নিজস্ব ভৱনত প্ৰতিষ্ঠিত মহাবিদ্যালয়খনে আমাৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত গঢ়াত যোগ্য বৰঙনি আগ বঢ়াব পাৰিব বুলি আশা কৰিলো। পবিত্ৰ অনুষ্ঠানটিৰ ভৱন উদ্বোধনৰ শুভ মুহূৰ্তত প্ৰকাশিত স্মৃতিগ্ৰন্থৰ প্ৰতিও শুভেচ্ছা থাকিল ঃ এইখন দলিল যাতে ভৱিষ্যতে আৰু তথ্য সমৃদ্ধ গ্ৰন্থৰ ৰূপ পৰিগ্ৰহ কৰে।

দেৱ প্ৰসাদ বৰুৱা



মুখ্য মন্ত্ৰী
অসম

## শুভেচ্ছাবাণী

হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ নতুন ভৱনটোৰ অহা ২০ ফেব্ৰুৱাৰী তাৰিখে শুভ উদ্বোধন কৰা হ'ব আৰু সেই উপলক্ষে স্মৃতিগ্ৰন্থ এখনি প্ৰকাশিত হ'ব বুলি জানিবলৈ পাই মই নথৈ সুখী হৈছোঁ।

আশা কৰোঁ এই নতুন ভৱনটিৰ সংযোজনে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলক আৰু উচ্চ শিক্ষাৰ প্ৰসাৰত হাজোবাসী ৰাইজক বাৰুকৈয়ে উপকৃত কৰিব। ভৱনটো নিৰ্ম্মান কৰি মহাবিদ্যালয়লৈ দান দি স্বৰ্গীয় সুৰেন দাসৰ পৰিয়ালে যি মহানুভৱতাৰ পৰিচয় দিছে তাৰ বাবে পৰিয়ালটোৰ সদস্যসকলৰ বদান্যতাৰ শলাগ লৈছোঁ।

উদ্বোধনী অনুষ্ঠানৰ আৰু স্মৃতিগ্ৰন্থখনিৰ সফলতা কামনা কৰাৰ লগতে মহাবিদ্যালয় খনিৰো উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

দিশপুৰ
১১ ফেব্ৰুৱাৰী, ১৯৮৬

(প্ৰফুল্ল কুমাৰ মহন্ত)



অসম চৰকাৰ
তাং ২৮।১।৮৬


শ্ৰীবৃন্দাবন গোস্বামী
মন্ত্ৰী
শিক্ষা, বিজ্ঞান, প্ৰযুক্তিবিদ্যা
আৰু পৰিবেশ।

## শুভেচ্ছাবাণী

মই জানিবলৈ পাই অত্যন্ত সুখী হৈছোঁ যে সুৰেন দাস মহাবিদ্যালয়ৰ নৱ নিৰ্ম্মিত ভৱনটো ২০।২।৮৬ তাৰিখে আনুষ্ঠানিক ভাবে মুকলি কৰাৰ ব্যৱস্থা হৈছে। মোক এই অনুষ্ঠানলৈ নিমন্ত্ৰণ জনোৱা হৈছিল যদিও পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচীৰ কাৰণে উপস্থিত থকাতো সম্ভৱ নহব।

ৰাজহুৱা প্ৰচেষ্টাত গঢ়ি উঠা এই অনুষ্ঠানৰ প্ৰতি শলাগ জনাইছো আৰু ইয়াৰ উন্নতি কামনা কৰিছোঁ। ভৱনটোৰ দাতা সকল সকলোৰে ধন্যবাদৰ পাত্ৰ।

(বৃন্দাবন গোস্বামী)
শিক্ষা মন্ত্ৰী
অসম




তাৰিখ ৬।২।৮৬

শ্ৰীনগেন শৰ্ম্মা
মন্ত্ৰী, পশুপালন, ৰেচম, বয়ন
আৰু হস্তঁতাত বিভাগ।
অসম, দিশপুৰ

## শুভেচ্ছাবাণী

সমাজ কৰ্ম্মী ৺ সুৰেন দাসৰ নামত মহাবিদ্যালয়ৰ বাবে উৎসৰ্গা কৰা নৱ নিৰ্ম্মিত ভৱনটো উদ্বোধন কৰি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি সেইজনা মহান সমাজ কৰ্ম্মীৰ প্ৰতি মোৰ আন্তৰিক শ্ৰদ্ধা জনাই শুভেচ্ছা জ্ঞাপন কৰিলো।

(নগেন শৰ্ম্মা)



'ভূপেন'

২৪/২/৮৬


প্ৰিয় শ্ৰীমানসকলৰ

— স্বৰ্গীয় সুৰেন দাস দেৱৰ সম্মানাৰ্থে আমি আন্তৰিক- অভিনন্দন জনাইছোঁ — এই উদ্যোগৰ জনৰ কাৰণে।

— আপোনালোকে হাজোৰ কাষতে এই কলেজখন সুন্দৰকৈ সজাই গঢ়াই তোলক। নতুন সমাজ, নতুন উদ্যমেৰে নতুন চিন্তা ধাৰাৰে এই কলেজত — সাহসী কৰ্মী যেন জন্ম হয় হেজাৰে হেজাৰে।

— সুৰেন দাস কলেজলৈ মোৰ অন্তৰৰ শুভইচ্ছাৰে

ভূপেন হাজৰিকা



অহা ইং ২০।২।৮৬ তাৰিখে হাজোৰ "সুৰেন দাস মহাবিদ্যালয়ৰ নিজস্ব ভৱন উদ্বোধন কৰিবলৈ আয়োজন কৰাৰ কথা জানিব পাৰি মই অতিশয় আনন্দিত হৈছো। স্বৰ্গীয় সুৰেন দাস দেৱৰ পৰিয়াল বৰ্গৰ সহায়-সহযোগত সংশ্লিষ্ট অঞ্চলৰ ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী বন্ধু-বান্ধৱী সকলৰ উৎসাহ, উদ্দীপনা তথা শ্ৰমেৰে গঢ়ি উঠা উক্ত মহাবিদ্যালয় খনে সমগ্ৰ অসমৰ বিশেষকৈ অঞ্চলটোৰ ৰাইজৰ বাবে শৈক্ষিক, সামাজিক তথা অৰ্থনৈতিক প্ৰগতিৰ পথ প্ৰদৰ্শকৰ ভূমিকা বহন কৰিব পৰাৰ আশা পোষণ কৰিছো। লগতে আয়োজিত উদ্বোধনী উৎসৱ সাফল্যমণ্ডিত হোৱাৰ বাবে আৰু মহাবিদ্যালয়খনক ৰাইজৰ গৌৰৱ তথা অনুপ্ৰেৰণাৰ স্থল ৰূপে গঢ়ি তোলাৰ উদ্দেশ্যে সন্মানীত ৰাইজ তথা সংশ্লিষ্ট উদ্যোগী সকলে চলোৱা প্ৰচেষ্টাৰ প্ৰতি মই শুভেচ্ছা জনালো।

ইতি

শ্ৰদ্ধা আৰু প্ৰীতিৰে<br>
কামাখ্যা চৰণ চৌধুৰী<br>
বিধায়ক, অসম বিধান<br>
সভাৰ ৫৫ নং হাজো<br>
সমষ্টি।

# অসম সাহিত্য সভা


গুৱাহাটী কাৰ্যালয়
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-১ ঃ অসম
ফোন ঃ ২৪৭৭৬


কেন্দ্ৰীয় কাৰ্যালয়
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-১ ঃ অসম
ফোন ঃ ৩৭৬

ডিফু কাৰ্যালয়
ৰাংছিনা ভৱন
ডফু-৭৮২৪৬০


এতিয়াৰে পৰা হাজো সুৰেন দাস কলেজৰ নিজৰ ঘৰ-দুৱাৰ হব, এইটো বৰ আনন্দৰ কথা । ইতিহাসত হাজোৰ বিশিষ্ট স্থানৰ কথা ইয়াৰ প্ৰতি ডোখৰ ঠাইতে লিপিবদ্ধ হৈ আছে। ধৰ্ম আৰু সংস্কৃতিৰ কেন্দ্ৰ স্বৰূপেও হাজো এখন বিখ্যাত ঠাই । এনে এখন ঐতিহ্যপূৰ্ণ ঠাইৰ মহাবিদ্যালয় খনে প্ৰাচীন ঐতিহ্য ৰক্ষা কৰিও আধুনিক চিন্তা-চৰ্চাৰ বাণী বহন কৰি আনিব লাগিব । ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অাঁৰত থকা শুভানুধ্যায়ী হাজোৰলীয়া ৰাইজে সেই কামকে কৰি যাওক—ইয়াকে কামনা কৰিলোঁ । নতুন ঘৰ লোৱাৰ এটা আনন্দ আৰু গৌৰৱৰ ভাব থাকিবই । তাৰ লগে লগে সেই ঘৰত সুস্থ জীৱন-যাপন কৰাৰ সংকল্পও লাগিব । অকল ধুনীয়া ঘৰেই শিক্ষা প্ৰতিষ্ঠান নহয়—প্ৰকৃত অধ্যয়নহে আচল কথা !


গুৱাহাটী,
২৭।১।৮৬

যোগেশ দাস
সভাপতি,
অসম সাহিত্য সভা



চকু পচাৰতে মহাবিদ্যালয় ভৱনটো

THE COLLEGE BUILDING AT A GLANCE



গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ যামিনী মোহন চৌধুৰীয়ে ইং ৮-২-৮২ তাৰিখে মহাবিদ্যালয়ৰ ভৱনৰ আধাৰ-শিলা স্থাপন কৰে।



"মহাবিদ্যালয় সপ্তাহত" সাহিত্য সভাৰ সভাপতি শ্ৰীযোগেশ দাসক ভাষণ দিয়া অৱস্থাত দেখা গৈছে।

## সোৱঁৰণ

যাদৱ চন্দ্ৰ দাস
গুৱাহাটী

তোমাৰ সোৱঁৰণীয়ে
আমাৰ কৰ্ম্ম জীৱন পথত
আনি দিয়ে
পুৱাৰ সূৰুযৰ ৰাঙলী পোহৰ !
তোমাৰ সেই
জীৱন যুজত ক্লান্ত হৈ পৰা
আশাৰ নদীৰ লগত যেন
আমিও বাই যাওঁ
তোমাৰ আশাৰ পালতৰি লৈ !!
"তোমাৰ অতীতেই
আমাৰ বৰ্ত্তমান"
হে পিতৃ দেৱতা ;
তোমাৰ আত্মাক
আজি কৰোঁ মিনতি
থাকিবা সদায় তুমি সকলো দিশতে
আমাৰ হৈ সাৰথি ।

## এটি নাম ঃ সুৰেন দাস মহাবিদ্যালয়

[ ৺সুৰেন দাস দেৱৰ সোৱঁৰণত ]

হেৰাই যোৱাৰ পিচতো
তোমাক পাইছোঁ
আমাৰ মাজত
প্ৰতিটো মুহূৰ্ত্তত ।
কোনে কয় তুমি নাই ?
তোমাৰ অৱদান পুষ্ট
এই ভৱনে [ কলেজ ভৱন ]
দশোদিশে বিয়পাই দিয়ক
প্ৰজ্ঞাৰ প্ৰবল জোঁৱাৰ ।
এই দেশৰ
এই স্থলৰ
শত শত নতুন পুৰুষে
সৌভাগ্যৰ কোমল ৰ'দালি গছকি
স্মৰণ কৰিব ঃ
তোমাৰ মহান দানৰ ইতিবৃত্ত ।
এই ভৱনৰ প্ৰতি চপৰা শিল ইটাই
এদিন বুৰঞ্জী কব :
'ত্যাগৰ আন এটি নাম অৱদান' ।
অৱদানেই যদি মহান কৰে মানুহক
কবি মই,
মই কম তোমাক
তুমি মৃত্যুঞ্জয়ী
আৰু
ইতিহাসৰ পাতত জিলিকি থাকিব
এটি নাম : 'সুৰেন দাস মহাবিদ্যালয়' ।

শ্ৰীঅচ্যুত চন্দ্ৰ দাস শিক্ষক
হাজো আদৰ্শ বিদ্যাপীঠ হাইস্কুল
ৰচনা—২১-১-৮৬ ইং

# °সুৰেন ককাইদেউৰ সোঁৱৰণত

শ্ৰীকুমুদ চন্দ্ৰ দাস
প্ৰধান শিক্ষক
হাজো ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়

'সুৰেণ দাস মহাবিদ্যালয়'ৰ নিৰ্ম্মিত ভৱনৰ শুভ উদ্বোধনী উৎসৱত সুৰেণ ককাইদেউলৈ বাৰে বাৰে মনত পৰিছে, বহুতো কথা-বহুতো ঘটনা মনলৈ আহিছে ; লিখিবলৈ লওতে হয়তো বহু কথাই পাহৰিব লাগিব । যিহেতু এই লিখনিত মাত্ৰ তেখেতৰ জীৱনৰ এটি চমু আভাষহে দিবলৈ চেষ্টা কৰা হব । ( সুৰেণ ককাইদেউ মোৰ সম্বন্ধীয় ককাইদেউ আছিল যদিও—তেওঁ মোৰ বাল্যবন্ধু আৰু মৃত্যুৰ আগমুহূৰ্ত্তলৈকে অভিভাৱক স্বৰূপে কাম কৰিছিল )

মণিষীৰ জন্ম পৰ্ণ—কুটীৰত
মৃত্যু ৰাজ প্ৰাসাদত ।

মণিষী নহলেও সুৰেণ ককাইদেৱে সোণৰ চামুচ মুখত লৈ জন্ম গ্ৰহণ কৰা নাছিল । কিন্তু মৃত্যু যে ৰাজ প্ৰাসাদত হৈছিল—ই নিৰ্ঘাট সত্য ।

জীৱনৰ অহা যোৱা দুটা বাট । জন্মিলে এদিন মৰিবই লাগিব । ই জাগতিক নীতি । ধৰাৰ বুকুত বিভিন্নজনে বিভিন্ন সময়ত জন্ম গ্ৰহণ কৰে ; সংসাৰ নাটঘৰত কিছুদিন অভিনয় কৰে, অভিনয় শেষ হলে ধৰাৰ বুকুৰ পৰা আকৌ আঁতৰি যায় । সুৰেণ ককাইদেৱেও এদিন তেনেকৈ আমাৰ মাজলৈ আহিছিল, হাঁহিছিল, খেলিছিল আৰু জীৱনৰ মধ্যাহ্নতে সকলোকে কন্দুৱাই থৈ আমাৰ মাজৰ পৰা আঁতৰি গ'ল । কোনো এক অজান দেশলৈ । হিয়া ঢাকুৰি কান্দিলেও আমি আৰু তেওঁক কেতিয়াও নাপাম ।

গুৱাহাটী কেদাৰ ৰোডৰ এটা মধ্যবিত্ত পৰিয়ালৰ এটি ক্ষুদ্ৰ কুটীৰত সুৰেণ দাসৰ জন্ম হৈছিল ১৯২৫ চনৰ ২০ ফ্ৰেব্ৰুৱাৰীত । দেউতাক আনন্দিৰাম দাসে নিজা 'বজাৰ বাচ' দুখন চলাই জীৱিকা নিৰ্বাহ কৰিছিল । একমাত্ৰ সন্তান সুৰেণ দাসক মাক-দেউতাকে অতি মৰম কৰিছিল। মাক ৰামেশ্বৰী দাসৰ চকুৰ মণি আছিল সুৰেণ দাস । সুঠাম দেহৰ গঠন, মুখত মৃদু হাঁহি লৈ বয়সীয়াল সকলৰ মৰমৰ পাত্ৰ আৰু সমনীয়াৰ পৰম বন্ধু তজ্‌বজীয়া সুৰেণ দাস লাহে লাহে ডাঙৰ হৈ আহিল । ঘৰুৱা শিক্ষক আৰু অভিভাৱক শ্ৰদ্ধেয় হেমচন্দ্ৰ বৰুৱাৰ তত্বাৱধানত পানবজাৰ প্ৰায়মাৰী স্কুলৰ শিক্ষা শেষ কৰি কটন কলেজিয়েট স্কুলত নাম ভৰ্ত্তি কৰে আৰু ১৯৪৬ চনত সেই স্কুলৰে পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় । এইখিনিতে উনুকিওৱা উচিত হব যে স্কুলত পঢ়ি থকা অৱস্থাত ভাৰত বৰ্ষৰ গণ আন্দোলন, ২য় মহাসমৰ, জাপানী সৈন্যৰ অসম প্ৰবেশ আদিৰে ভৰপুৰ অস্থিৰ দিনকেইটাত বহুতে চহৰৰ মাটি-বাৰী বিক্ৰি কৰি গাওঁ মুখী হৈছিল । সুৰেণ দাসৰ পৰিয়ালো গাৱঁলৈ অহাৰ উপক্ৰম কৰিছিল—একমাত্ৰ সুৰেণ দাসৰ গুৱাহাটীত থকাৰ অটল অচল দৃঢ়তাৰ কাৰণেহে গুৱাহাটীত থিতাপি লৈ থাকিব পাৰিলে । অৱশ্যে সেইদিনকেইটা বহুতো দুৰ্য্যোগৰ মাজেদিহে পাৰ কৰিব লগা হৈছিল ।

সি যিয়েই নহওক — প্ৰবেশিকা পৰীক্ষা পাচ কৰাৰ পিচত তেওঁক কটন কলেজত আই, এ পঢ়িবলৈ দিয়া হয় । পৰীক্ষাৰ আগ মুহূৰ্ত্তত প্ৰায় দুমাহ কাল টান নৰিয়াত পৰি থকা কাৰণে তেওঁ আই, এ পৰীক্ষা দিয়াৰ পৰা বঞ্চিত হল আৰু ব্যৱসায়ৰ কাৰণে মন মেলা কাৰণে শিক্ষা জীৱন তেওঁৰ এইখিনিতে শেষ হল ।

সৌভাগ্য যেতিয়া উদয় হয় তাক কোনেও বাধা দি ৰাখিব নোৱাৰে । কেদাৰ ৰোডৰ সৰু সৰু ল'ৰাবিলাকৰ পঢ়া - ফুৰা-চকা আদিত চকু ৰখা— সুবিধা বুজি নিজৰ ঘৰলৈ মাতি আনি



পঢ়োৱা তেওঁৰ এটা অভ্যাস হৈ পৰিছিল । সেয়েহে তেওঁতকৈ বয়সত সৰু অসমীয়া ল'ৰা ছোৱালী সকলোৱে তেওঁক 'সুৰেণ ককাইদেউ' বুলি মাতিছিল ; মানি চলিছিল । 'দেব' নামৰ সৰু ল'ৰা এজনক পঢ়াই থাকোতে তেওঁৰ মুখৰ পৰা কথা প্ৰসঙ্গত ব্যৱসায় কৰাৰ কথা ওলাই পৰিছিল আৰু ল'ৰাজনেও সেই কথা শুনি 'ফাঁচী বজাৰ'ত এখন দোকান বিক্ৰি কৰিব বুলি কৈ উঠিল । কথাটো শুনি বিচাৰ খোচাৰ কৰা হ'ল আৰু সামান্য 'চালামী'ৰ বিনিময়ত সেই দোকান খন কিনি পেলালে । সেইখনেই সুৰেণ দাসৰ ব্যৱসায়ৰ মূল ভেটি । ১৯৪৮ চনত 'সুৰভী ষ্টোৰ' নাম দি ফাঁচী বজাৰৰ মনোহাৰী মালৰ দোকান খনেৰে তেওঁৰ ব্যৱসায় জীৱন আৰম্ভ হ'ল ! সেই বছৰতে 'সুৰভী কেমিকেল ওৱাৰ্কচ' নামেৰে এটি সৰু চাবন ফেক্টৰী আৰম্ভ কৰিলে । ব্যৱসায় দিনে দিনে বাঢ়িবলৈ ধৰিলে । এইখিনিতে মই নিজে দেখা আৰু মনত পৰা দুটা সৰু ঘটনা উনুকিয়াই থওঁ । —এদিনৰ কথা । তেতিয়া সুৰেণ ককাইদেউৰ খুব টান নৰিয়া । টাইফয়েদ জ্বৰ। আজি কালিৰ নিচিনা তেতিয়া টাইফয়েদ জ্বৰৰ ঔষধ-পাতি ওলোৱা নাছিল । সুৰেণ ককাইদেউৰ নৰিয়াৰ ৪১ দিনাখন ৰাতিৰ পৰা তেওঁ মৃত্যুৰ লগত যুঁজ দি থকা যেন অনুমান হৈছে । ৰোগী অচেতন । তেওঁৰ মাতৃয়ে ৰোগীৰ পৰিচৰ্য্যা কৰাৰ লগতে চকুলো টুকি ৰোগীৰ ওচৰত বহি আছে । ৰাতিপুৱা ৯ মান বজাত হঠাৎ এজন আধা নাঙঠ সন্ন্যাসী আহি উপস্থিত হ'ল । হিন্দী-ভাষী সন্ন্যাসী জনে কৈ উঠিল — 'মা মই ভাত খাম' — । কোনো দিনে অতিথিক বিমুখ নকৰা ধৰ্ম পৰায়না মাতৃয়ে ৰোগীৰ ওচৰৰ পৰা উঠি আহি ক'লে, 'বাবা পাগ কৰক । মোৰ বাচা ভাল হওঁক' । সন্ন্যাসীজনে অলপ সময় তেওঁৰ মাকৰ লগত কথা-পাতি সকলো জানিলে আৰু ক'লে—মা-আপোনাৰ হাতে ৰন্ধা ভাত খাম । আপোনাৰ ল'ৰা ভাল হব আৰু খুব ধনী-মানী মানুহ হব । তেওঁৰ মনত ভাল লাগিল, নিজ হাতে সন্ন্যাসীক ভাত ৰান্ধি খুৱালে । সন্ন্যাসী গুচি গ'ল । পিচত কেতিয়াও আৰু সেই সন্ন্যাসীজনক দেখা পোৱা নগ'ল । সুৰেণ ককাইদেউ সঁচাকৈয়ে ৪২ দিনৰ দিনা চেতনা পালে আৰু লাহে লাহে ভাল হৈ উঠিল । আন এদিনৰ কথা । গধুলি সময়ত এজুৰি ৰাজহাঁহ কৰবাৰ পৰা উৰি আহি তেওঁলোকৰ চোতালত পৰিল । পাখীত ওপৰৰ পিনে ওলোৱা কেইটামানকৈ পাখী । চৰাই জুৰিক বাটলৈ খেদি দিয়াৰ পিছতো ঘৰলৈ সোমাই গ'ল । হাঁহ জুৰি তেওঁলোকৰ ঘৰতে থাকি গ'ল । সেই হাঁহৰ বংশ এতিয়াও আছে ।

এই দুটা ঘটনাৰ ঠিক পিচতে সুৰেণ ককাইদেউৰ ব্যৱসায় আৰম্ভ আৰু ই ক্ৰমশঃ বৃদ্ধি হৈ তেওঁৰ মৃত্যুৰ মূহুৰ্ত্তলৈকে গুৱাহাটী তথা অসমৰ এজন বিশিষ্ট ব্যৱসায়ী হিচাবে স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। যি কামতে হাত দিয়ে তাতেই লাভৱান হৈছিল ।

১৯৫০ চনত গাৱঁৰ ৰঘুৰাম ডেকাৰ কন্যা শ্ৰীমতী তাৰাবালা দাসৰ লগত তেওঁৰ বিয়া হয় । ১৯৫১ চনত তেওঁৰ প্ৰথম ল'ৰা 'যাদৱ'ৰ জন্ম যাদৱৰ জন্মৰ কিছুদিন পিচত 'সুৰভী কেমিকেল ৱাৰ্কচ' নামৰ চাবন ফেক্টৰীটো 'যাদৱ চ'প ওৱৰ্কচ' নামেৰে নামাকৰণ কৰা হয় আৰু বৰ্ত্তমান অসমৰ বজাৰত চলা সকলোৰে প্ৰিয় 'জনতা' চাবন যাদৱ চ'প ওৱৰ্াকচৰ পৰা উৎপাদন কৰিবলৈ লয় ; আৰু বৰ্ত্তমান ই এক বৃহৎ উদ্যোগ হিচাবে সুপ্ৰতিস্থিত ।

ধৰ্মপ্ৰাণ মাতৃৰ অনুকৰণত সৰুৰে পৰা তেওঁ ধৰ্মপৰায়ণ আছিল যদিও পিচৰ ফালে সুৰেণ ককাদেউৰ মন ধৰ্মৰ ফালে অধিককৈ ঢাল খায় । কামাখ্যাৰ তান্ত্ৰিক গুৰু °ৰজনী কান্ত দেৱশৰ্মাৰ শিষ্যত্ব গ্ৰহণ কৰি তান্ত্ৰিক প্ৰথা মতে জপ আদি কৰাটো তেওঁৰ দৈনন্দিন কৰ্ত্তব্যৰ ভিতৰত পৰিছিল । ধুতি পাঞ্জাৱী পৰিহিত, দৃঢ়মনা, মিষ্টভাষী সুৰেণ ককাইদেউ একেধাৰে দেশহিতৈষী, সমাজসেৱী, দানবীৰ, পৰোপকাৰী, অনাথৰ বন্ধু, দুৰ্ব্বলীৰ বলদাতা পুৰুষ আছিল।

হাড়ে হিমজুৱে অসমীয়া দেশপ্ৰেমী ডেকা–ব্যৱসায়ী সুৰেণ ককাইদেৱে কাকো কেতিয়াও টান কথা কৈ হতাশ কৰাৰ কথা আমাৰ মনত নপৰে। বহুতো দুখীয়া ল'ৰা-ছোৱালীৰ তেওঁ বিয়া পাতি দিছিল, ঘৰ বান্ধি দিছিলআৰু ধন বিতেৰে সহায় কৰি ব্যৱসায় মুখী হোৱাৰ কাৰণে উদগনি দিছিল। দুখীয়া মেধাবি ল'ৰাৰ কিতাপ-কাগজ মাচুল আদি যোগান ধৰি পঢ়িবলৈ অনুপ্ৰেৰণা যোগাইছিল। মথ, মন্দিৰ, স্কুলঘৰ আদি নিৰ্ম্মান, মেৰামতি কৰি পুণ্য অৰ্জন কৰিছিল। কামাখ্যাতো তেনেকুৱা ভাঙি যোৱা মন্দিৰ এটি পুনৰ নিৰ্মান কৰি নিয়মিত ভাবে পুজা-সেৱা চলাই আছিল। তেওঁ স্বৰ্গগামী হোৱাৰ পিচত তেওঁৰ সুযোগ্য সন্তান সকলে এতিয়াও তাত পূজা সেৱা নিয়মিত ভাবে চলাই আছে। বহু অনুস্থান প্ৰতিস্থানলৈ তেওঁ শকত ধনৰ পূঁজিৰে সহায় আগবঢ়াইছিল; কিন্তু বিনিময়ত একো বিচৰা নাছিল।

মাকৰ মাতৃভুমি হিচাবে হাজোৰ প্ৰতি তেওঁৰ এক বিশেষ মৰম আছিল আৰু নিজে সদায় 'হাজোৱলীয়া' বুলিহে গৌৰৱ বোধ কৰিছিল। কেৱল হাজোৰ নহয় গোটেই অঞ্চলটোৰে বহু সামাজিক কামত তেওঁৰ সহায় সাৰথি বৰঙনিৰ কথা আজিও সকলোৱে শ্ৰদ্ধাৰে সোঁৱৰে।

হাজোৰ একমাত্ৰ মহাবিদ্যালয়খন; যিখন বৰ্ত্তমান 'সুৰেণ দাস মহাবিদ্যালয়' নামেৰে জনাজাত সূৰেণ ককাইদেউৰ নুমলীয়া সন্তান স্বৰূপ। কবলৈ গলে এই মহাবিদ্যালয়ৰ বীজ হাজোবাসী ৰাইজে ৰোপন কৰিছিল যদিও সাৰ পানী দি ইয়াক বলিষ্ঠ কৰি তুলিছিল সুৰেণ ককাইদেউৰ বহল অন্তৰখনে–হাজো ৰাইজৰ লগত একাত্মভাবে। কলেজ আৰম্ভনীৰ লগে লগে আৱশ্যক হোৱা শকত ধনৰ পুঁজি তেওঁ দান কৰিছিল আৰু হাজো উঃ মাধ্যমিক বিদ্যালয়ত কলেজৰ পাঠদান আৰম্ভ হয়। ইয়ৰ পিছত তেওঁ মহাবিদ্যালয়ৰ স্থায়ী ভৱন এটি নিৰ্মান কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। পাঠদান তথা বিভাগীয় কাম-কাজবোৰ আগবাঢ়ি থাকিল যদিও স্থায়ী ভৱন নিৰ্মানৰ কাম আৰম্ভ হোৱা নাছিল।

ইতিমধ্যে নিষ্ঠুৰ নিয়তিয়ে এনেহেন মহান ব্যক্তি এজনক আমাৰ মাজৰ পৰা আঁতৰাই নিয়ে। ১৯৮১ চনৰ শেষৰ ফালে তেওঁ বেমাৰত পৰে আৰু শেষত সেয়ে দুৰাৰোগ্য বেমাৰে কাল-ৰূপ ধৰি ১৯৮২ চনৰ ১৮ মাৰ্চ বৃহস্পতিবাৰে ৰাতি ৩–৪৫ মিনিটত তেওঁক আমাৰ মাজৰ পৰা কাঢ়ি লৈ যায়। ৰোগ শয্যাত হস্পিতালত পৰি থাকোতে তেওঁৰ সুযোগ্য সন্তান সকলক কাষত বহুৱাই লৈ কৈ যায়—"কলেজ ভৱনটো ধুনিয়া পকী বিল্ডিং আকাৰত নিৰ্মান কৰিব দিবলৈ। তেওঁৰ গুণমুগ্ধ হাজোবাসী ৰাইজৰ লোকেও তেওঁৰ খবৰ লবলৈ যাওঁতে তেওঁ নিজৰ চোগৰ কথা পাহৰি হাঁহিমুখে কৈছিল—"মোৰ ল'ৰাহতে মোৰ আধৰুৱা কাৰ্য্যখিনি নিশ্চয় সম্পূৰ্ণ কৰিব"।

মৃত্যুৰ সময়ত তেওঁ বিধবা পত্নী, তিনিজন পুত্ৰ আৰু ৪ জনী ছোৱালী এজনী বোৱাৰীআৰু নাতি-নাতিনি এৰি থৈ গৈছিল।

হাজোবাসী ৰাইজে হাজোৰ প্ৰতি তেওঁৰ ভাল পোৱা লৈ লক্ষ্য ৰাখি তেওঁৰ মৃত্যুৰ পিছতে হাজো কলেজখনক স্বৰ্গীয় সুৰেণ দাসৰ সোঁৱৰণত 'সুৰেণ দাস মহাবিদ্যালয়' নামেৰে নামাকৰণ কৰিলে। বৰ্ত্তমান তেওঁৰ সুযোগ্য পুত্ৰ-সকলে দেউতাকৰ ইচ্ছা অনুসৰি মহাবিদ্যালয় ভৱনটো তেওঁলোকৰ মনৰ জোখেৰে নিৰ্মান কৰি দিয়াত হাজোবাসী ৰাইজ সঁচাকৈয়ে অভিভূত হৈছে। অঞ্চলটোৰ সকলো শিক্ষানুৰাগী ৰাইজৰ নিঃস্বাৰ্থ সহযোগত এই মহাবিদ্যালয়খন অসমৰ ভিতৰত সকলো পিনৰ পৰা আদৰ্শ স্বৰূপ হৈ উঠক এয়ে আমাৰ কামনা।

পৰমেশ্বৰে সুৰেণ ককাইদেউৰ বিদেহী আত্মাক চিৰশান্তি দিয়ক আৰু তেওঁৰ সুযোগ্য সন্তান তথা পৰিয়ালৰ সকলোকে দীৰ্ঘায়ু দান কৰক -যাতে সুৰেণ ককাইদেউৰ আহিৰে তেওঁলোকেও হাজোবাসী ৰাইজ তথা হাজো গাওঁখনক নিজৰ বুলি কৈ ভৱিষ্যতেও গৌৰৱ বোধ কৰিব পাৰে।

● ●

# স্বৰ্গীয় সুৰেন দাসৰ স্মৃতিত

হেম চন্দ্ৰ বৰুৱা
গুৱাহাটী

বৰ্ত্তমানৰ গুৱাহাটীৰ লগত পঞ্চাছ বছৰ আগৰ গুৱাহাটীৰ আকাশ পাতাল পাৰ্থক্য। বৃটিছৰ দিনৰ গুৱাহাটীৰ কলেৱৰ সৰু আছিল এতিয়াৰ গুৱাহাটীৰ দৰে নহয়। ঠাই বিশেষতহে কেইজন মান গণিব পৰা লোকে বাস কৰিছিল। তেওঁ বিলাকৰো বহু সংখ্যকেই আছিল বিহাৰৰ পৰা অহা লোক। আন বিলাক আছিল অসমীয়া। পিছে পিচলৈ চাকৰি সূত্ৰে কিছু বঙ্গভাষী লোকেও আহি ইয়াতে বসবাস কৰিবলৈ লৈছিল। সেই সময়ত দোকান পোহাৰ বুলিবলৈ নাছিলেই। পানবজাৰত একমাত্ৰ ফাৰ্মাচীখন আছিল। আজিৰ দৰে বিজুলী চাকিও নাছিল। নাছিল কোনো জাক জমকতা। আছিল মাথো ঠায়ে ঠায়ে কেইটামান খুটা। তাত কিছুমান লেম্প ওলোমাই থোৱা আছিল। বৃটিছ চৰকাৰৰ তলত বাস কৰা লোকে সময়মতে সেইবোৰ জ্বলোৱা নুমোৱা কৰিছিল। ইয়াৰে বহুদিনৰ পিছতহে গুৱাহাটীত কথাছবিঘৰ হয়। তাকো সংখ্যাত দুটা। প্ৰথমটো হল 'কেলভিন' আৰু দ্বিতীয়টো হল 'পিকচাৰ হাউচ' (বৰ্ত্তমানৰ নাম 'বিজুলী চিনেমা)। বৃটিছৰ দিনত আমি বৰ্ত্তমান দেখাৰ দৰে ভ্ৰাম্যমান অসমীয়া নাট দল দেখা নাছিলো। বঙ্গৰ পৰা অহা নাট্যগোষ্টৰ নাট্যাভিনয়হে আমি চাইছিলো।

সেই সময়ত গুৱাহাটীত থলুৱা বাসিন্দা তাকৰ আছিল কাৰণে মই মাজে সময়ে এটা পৰিয়ালৰ ঘৰলৈ এপাক মাৰিছিলো। এই পৰি-য়ালটোৱে আছিল ৺আনন্দি ৰাম দাসৰ পৰিয়াল। ৺আনন্দি ৰাম দাসে মোক 'মাষ্টাৰ' বুলিয়েই জানিছিল; কিয়নো মই গুৱাহাটীৰ সেইসময়ত আঙুলিত লেখিব পৰা অসমীয়া পৰিয়ালৰ সৰু লৰা-ছোৱালীৰ ঘৰুৱাশিক্ষকআছিলো। ৺আনন্দি ৰাম দাসৰ সহধৰ্ম্মীনি ৺ৰামেশ্বৰী দাসে তেখেতসকলৰ ঘৰলৈ গলেই একমাত্ৰ পুত্ৰক পঢ়ুৱাবলৈ সদায়েই খাটিছিল। মইয়ো পৰিয়ালৰ অনুৰোধ ওভতাব নোৱাৰি সুৰেনৰ ঘৰুৱা শিক্ষক হৈ পৰিছিলোঁ।

সুৰেনৰ মাক শিক্ষিতা নাছিল যদিও শাসনৰ দিশত যথেষ্ট কাঢ়া আছিল বুলিব পাৰি। পিতৃ-মাতৃৰ একমাত্ৰ সন্তান সুৰেনৰ দায়িত্বভাৰ দৰাচলতে মাকেহে গ্ৰহণ কৰিছিল। মাকৰ কঠোৰ শাসনত ঘৰৰ পৰা ওলাবলৈ ভয় কৰা সুৰেনক প্ৰায়েই এটা কুকুৰ আৰু এযোৰ হাঁহৰ লগত খেলিথকা দেখিছিলো। মাতৃৰ ভয়ত ঘৰৰ বাহিৰ নোহোৱা সুৰেনক খেলিবলৈ কুকুৰ এটা আনি দিছিল; ৰাজহাঁহ আৰু কুকুৰক অফুৰন্ত মৰম কৰা মই প্ৰত্যক্ষ কৰিছো। বোধকৰো সেইকাৰণেই নেকি এই পৰিয়ালটোৰ ৰাজহাঁহ

আৰু কুকুৰ পোহা অভ্যাস আজিও আছে। লৰালি কালচোৱাত মোৰ তত্বাৱধানত শিক্ষা গ্ৰহণ কৰা আৰু ৰাজহাঁহ কুকুৰৰ লগত খেলধেমালি কৰাই সুৰেনৰ একমাত্ৰ কাম আছিল।

শিক্ষা জীৱনত পঢ়া শুনাত সুৰেন বৰ ভাল আছিল। প্ৰবেশিকাৰ দেওনা পাৰ হৈ কলেজীয়া শিক্ষাত নাম লগায়, কিন্তু কলেজীয়া শিক্ষাতেই শিক্ষা জীৱনৰ অন্ত পেলাই ব্যৱসায়ত জড়িত হৈ পৰে। ফাঁচী বজাৰত 'সুৰভী ষ্টোৰচ্' নামৰ ব্যৱসায় প্ৰতিষ্ঠানটিৰে ব্যৱসায় আৰম্ভ কৰা সুৰেনে 'সুৰভী কেমিকেলচ' নামেৰে চাবোন প্ৰস্তুত কৰা এটি কাৰখানা নিজৰ বাস গৃহৰ চৌহদতে স্থাপন কৰি লয়। ১৯৫০ চনত নলবাৰীৰ ওচৰৰ জাহা গাৱঁৰে শ্ৰীৰঘুৰাম ডেকাৰ কন্যা শ্ৰীমতী তাৰা বালা ডেকাৰ লগত বিবাহ পাশত আবদ্ধ হৈ সাংসাৰিক জীৱনৰ পাতনি মেলে। সুৰেণে যেতিয়া প্ৰথম সন্তান যাদবৰ মুখ দেখে তেতিয়া তেওঁ এই 'সুৰভি কেমিকেলচৰ' নামটো সলনি কৰি 'যাদব চ'প ওৱাৰ্কচ' ৰাখে আৰু এই কাৰখানাতেই প্ৰস্তুত কৰা জনতা চাবোনৰ জৰিয়তেই সমগ্ৰ অসমতেই তেওঁ এজন প্ৰতিভাকামী আদৰ্শ বাদ ব্যৱসায়ী হিচাবে ভূয়ষী প্ৰশংসা বুটলিবলৈ সক্ষম হয়। ক্ষীপ্ৰ গতিত তেওঁৰ ব্যৱসায়ৰ পৰিসৰ বৃদ্ধি পায় আৰু ধীৰ গতিৰে তেওঁৰ সংসাৰ খনতো এটি এটিকৈ সাতোটি সন্তানৰ জন্ম হয়। ব্যৱসায়ী সুৰেন্দ্ৰই ব্যৱসায় আৰু নিজৰ লৰা-ছোৱালীৰ লগতে জীৱনৰ কেইটিমান মূল্যৱান বছৰ কটাইছিল যদিও মোক কোনো দিনেই পাহৰি যোৱা নাছিল, কিয়নো মই দুদিনমান তেওঁৰ ঘৰলৈ নগলেই তেওঁ হাঁহাঁকাৰ কৰিছিল, বিচাৰি ফুৰি,-ছিল। মোৰ বৃদ্ধ বয়সলৈ ভ্ৰংক্ষেপ নকৰি তেওঁ মোক লৰা-ছোৱালী কেইটাৰ পঢ়া শুনাৰ দায়িত্ব লবলৈ বাধ্য কৰিছিল। পুনৰ মই সেই পৰিয়ালটিৰ বাবে ঘৰুৱা শিক্ষক হৈ পৰিছিলো। মোৰ ভাব হৈছিল সুৰেনৰ মনে এক পৰম্পৰাগৰ নীতিক হে মানিছিল। যি নহওঁক মোৰ ওপৰত ন্যস্ত কৰা দায়িত্ব সুচাৰুভাবে পালন কৰিব পাৰিছিলো নে নাই কব নোৱাৰো, কিন্তু তেওঁৰ আটাইকেইটি সন্তানেই যে বৰ্ত্তমান একোজন দায়িত্বশীল লোক হৈছে তাত মোৰ সন্দেহ নাই।

ছাত্ৰাবস্থাৰে পৰা—সুৰেনে পূজা পাতাল আৰু ধৰ্ম্মৰ প্ৰতি অগাধ বিশ্বাস ৰাখিছিল। ঘৰতে সৰস্বতী পূজা, মনসা পূজা, আদি কৰাৰ উপৰিও কামাখ্যাত প্ৰতি বছৰে দুৰ্গা পূজাৰ আয়োজন কৰা, বিভিন্ন জনক দান দক্ষিণা দিয়াৰ লগতে হেজাৰ জনক ভোজন কৰোৱা কথা নিজ চকুৰে দেখিছোঁ। সমাজৰ হিত সাধনৰ হকে নাম প্ৰসঙ্গ কৰাইছিল। অসমীয়া কলা কৃষ্টিৰ বহুল প্ৰচাৰত সুৰেন মহৰ্ষি আশোকৰ আদৰ্শকেই হয়তো প্ৰভাবান্দিত হৈছিল, একমাত্ৰ ধৰ্ম্মৰ প্ৰতি থকা তেওঁৰ অগাধ বিশ্বাসৰ বলতেই। এই কথাৰ প্ৰমাণ হাজো অঞ্চলৰ ৰাইজে তেখেতৰ অৱদান সমূহ ফঁহিয়াই চালেই নিশ্চয় গম পাব।

# "এগৰাকী সংস্কৃতি পূজাৰীৰ সোঁৱৰণত"

দীপক কৃষ্ণ ভাগৱতী
গুৱাহাটী

সবল সংস্কৃতি জাতিৰ ইতিহাস।

ইতিহাসে সোঁৱৰায় সময়ে সময়ে, যুগে যুগে নতুনৰ আহবান, পুৰণিৰ গৌৰব আৰু ভবিষ্যতৰ স্বপ্ন। নতুনৰ আহবানত আমি উলাহতে উটি-ভাহি নগৈ ভবিষ্যতৰ স্বপ্নক বাস্তৱৰ মজিয়াত ৰূপ দিবৰ বাবে বৰ্ত্তমানক আকোৱালী ল'ব লাগিব সাহস অকে প্ৰত্যাহবানৰ প্ৰস্তুতিৰে।

সংস্কৃতি শব্দটোৰ অৰ্থটো যিমান সহজ দৰাচলতে জাতিৰ সংস্কৃতি বুলি কবলৈ যোৱাত ইয়াত বহুতো কথাই সোমাই পৰে। সংস্কৃতিক জাতীয় অৰ্থত চাবলৈ হলে গঢ় লোৱা জাতিটোৰ প্ৰতিটো দিশকেই চালি জাৰি চোৱাটো প্ৰয়োজন। জাতীয় সংস্কৃতিয়ে যেনেদৰে একোজন মহান ব্যক্তিক গঢ় দিয়াত সহায় কৰে তেনেদৰে সেই মহান ব্যক্তি সকলেও জাতিটোৰ বাবে আদৰ্শৰ প্ৰতীক হ'ব পাৰে।

আদৰ্শসমূহৰ ভিত্তিত মহত্বক স্বীকৃতি দিবলে গৈ আমি ক্ষন্তেক থমকি ৰ'বলগীয়া হও; যিহেতু আদৰ্শ আৰু মহত্বৰ মাজত কিছুমান তাৰতম্য আৰু ব্যৱধান পৰিলক্ষিত হয়। সেইবাবেই আদৰ্শবান ব্যক্তি আৰু মহান ব্যক্তিৰ মাজত সামন্যতম হলেও পাৰ্থক্য নথকা নহয়। এই কথাৰ বিশ্লেষণ তথা বাখ্যা দিবলৈ চেষ্টা কৰিছোঁ। প্ৰথমতে এজন আদৰ্শবান ব্যক্তিক মহান ব্যক্তি বুলি নকবও পাৰো। আনহাতে এজন মহান ব্যক্তি আদৰ্শৰ পৰা বিচ্যুতও হ'ব পাৰে। কোনো এজন ব্যক্তিয়ে জীৱন জোৰা সাধনা আৰু সংগ্ৰামৰ মাজেদি আদৰ্শক সাবটি আদৰ্শবান-ব্যক্তি হৈয়ো সমাজৰ বিভিন্ন ক্ষেত্ৰত আৰু বিভিন্ন পৰ্যায়ত উপেক্ষিত হৈ ৰয়। তেতিয়া সমাজ জীৱনৰ গণ-সংস্কৃতিৰ পথত সেই উপেক্ষিত আদৰ্শবান ব্যক্তি গৰাকী মহান নহৈ, এজন সাধাৰণ ব্যক্তি হিচাবে পৰিচিত হৈ পৰে। সেইদৰে কেতিয়াবা কোনো এজন ব্যক্তিয়ে সমসাময়িক জীৱনৰ প্ৰমূল্যৰে কোনো বাক্য আৰু চিন্তা চ্চাৰ যোগেদি দেশ, জাতি তথা সমাজ জীৱনত মহান ব্যক্তি হৈ পৰে। তেতিয়া সেই ব্যক্তি গৰাকীৰ চিন্তা চৰ্চ্চা, সাধনাৰ সাৰুৱা ক্ষেত্ৰলৈ লক্ষ্য ৰাখি কাৰ্য্য কলাপসমূহ ফঁহিয়াই চালে সেইজনৰ জীৱন দৰ্শনৰ দিশ বিসংগতি-বিহীন যদিও ক্ষেত্ৰ বিশেষত মাথো আদৰ্শচ্যুতৰ কথাহে দেখিবলৈ পোৱা যায়। ভাৰতৰ প্ৰাচীন কাব্য, উপাখ্যান আদতি এনেকুৱা আদৰ্শবান ব্যক্তি চৰিত্ৰৰ আভাস অসংখ্য পোৱা যায়। সেই চৰিত্ৰ সমূহ আধুনিক দৃষ্টি-ভংগীৰে বিশ্লেষন কৰি চাবলৈ গলেই খেলি মেলিৰ সৃষ্টি হয় আৰু তেতিয়াই সেই আদৰ্শবান ব্যক্তি চৰিত্ৰক মহৎ আখ্যা দিবলৈ আমি কুণ্ঠাবোধ কৰো। উদাহৰণ স্বৰূপে মহাভৰতৰ যুধিষ্ঠিৰ আৰু দাতা-কৰ্ণ, ৰামায়ণৰ ৰামচন্দ্ৰ আৰু ৰাৱনৰ চৰিত্ৰসমূহৰ মাজত আদৰ্শবান ব্যক্তি আৰু মহান ব্যক্তিক বিচাৰি ল'ব পাৰো। সেইবাবে সংস্কৃতিৰ পলসুৱা পথাৰত থিয় দি আমি সকলো ব্যক্তিকেই মহান ব্যক্তি বা আদৰ্শবান ব্যক্তি হিচাবে আখ্যা

দি কিছূমান বিসংগতি আৰু অমূলক চিন্তা গ্ৰহন কৰাৰ পৰিবৰ্ত্তে সমকালিন মানৱ জীৱনৰ প্ৰমূল্যৰে প্ৰকৃতাৰ্থ আৰু যথাৰ্থতাক প্ৰতীয়মান কৰিবলৈ যোৱাটোহে সমীচীন হ'ব। যিহেতুকে আজিৰ মানৱ জাতিৰ চিন্তাধাৰাই উত্তৰ পুৰুষক গভীৰ ভাবে আৰু নিখুঁত হিচাবে ভৰাই তুলিবলৈ এটি প্ৰশস্ত আৰু প্ৰকৃত পথৰ সন্ধান দিব লাগিব। প্ৰাচীন ভাৰতীয় চিন্তা আৰু সমকালীন জীৱন দৰ্শনৰ সামঞ্জস্য ৰাখি গবেষণামূলক সাধনাৰ যোগেদি আমি আমাৰ সংস্কৃতিক জীৱনক বিস্তৃত আৰু গভীৰ কৰি তুলিব পৰাটোতহে আমাৰ সাফল্য আৰু সাৰ্থকতাৰ পৰিচয় পাব।

সম্প্ৰতি আমাৰ লুইতপৰীয়া সাংস্কৃতিক জীৱনৰ বিশাল পৰিধিত অসংখ্য মহান ব্যক্তিৰ অৱদানৰ কথা উল্লেখ কৰোতেই আমি সুঁৱৰিবলৈ বাধ্য হৈছো যে আঙুলিৰ মূৰত লেখিবপৰা কেবাগৰাকী আদৰ্শবান ব্যক্তি আমাৰ সমাজত ঢাক খাই আছে; বহুকেইজন আমি ইতিমধ্যেই হেৰুৱাইছোও।

আমি হেৰোৱা আটাইকেইজন আদৰ্শবান ব্যক্তিৰ ভিতৰত বহু সাংস্কৃতিক অনুষ্ঠান বা প্ৰতিষ্ঠানৰ পথ প্ৰদৰ্শক তথা প্ৰেৰণাদায়ক ব্যক্তি; সংস্কৃতিৰ সাধক স্বৰ্গীয় সুৰেন্দ্ৰ চন্দ্ৰ দাস দেৱৰ নামো নিশ্চয় স্বীকাৰ্য্য। বহুদিনেই বহু মূল্যবান মূহুৰ্ত্ত মই দাস দেৱৰ লগত কটাইছিলো সাহিত্য, সংস্কৃতি, শান্তি সম্প্ৰতি আৰু **সমন্বয়** বিষয়ক আলোচনা কৰি। তেখেতৰ লগত আলোচনা কৰি থকা সময়ত মই তেখেত যে এগৰাকী ব্যৱসায়ী সেই কথাৰ গোন্ধ কণমানো অনুভৱ কৰা নাছিলোঁ আৰু সেয়ে কথা আৰু কামৰ সংগতি থকা দাস দেৱক মই সদায়েই এগৰাকী প্ৰকৃত সংস্কৃতিবান ব্যক্তি হিচাবেহে গন্য কৰিছিলো। বুজিব জানিলে শুনিবলৈ মন যোৱা তেখেতৰ কথাত মই আদৰ্শবাদৰ **সুৰ** শুনিছিলো; মহানুতাক অনুভৱ কৰিব পাৰিছিলো।

পাঞ্চতীৰ্থৰ ভূমিতে শেষ নিশ্বাস ত্যাগ কৰা দাস দেৱৰ হাজো অঞ্চলৰ প্ৰতি থকা অৱদানৰ কথা তেখেতক জনা ধৰ্মানম্বী তথা দাতাসকলক হয়তো নকলেও হ'ব। হিন্দু বৌদ্ধৰ তীৰ্থক্ষেত্ৰৰ লগতে আছে মুচলমানৰ পোৱামক্কা —এই হাজোতেই অঞ্চলটো যেন সাম্প্ৰদায়িক শান্তি সম্প্ৰতি আৰু সংস্কৃতিৰ বাহক। এনে এটি স্থানতে আজি তেখেতৰ স্মৃতিত এখন মহাবিদ্যালয়ে ঠন ধৰি উঠিছে-মোৰ মনত এনেহেন ভাব হৈছে যেন এগৰাকী সংস্কৃতি সাধকৰ নামত সাধনা বাণীৰ বীজ অংকুৰিত হৈছে।

পৰিশেষত স্বৰ্গীয় সুৰেন্দ্ৰ চন্দ্ৰ দাস দেৱৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি জনাই কওঁ যে তেখেতৰ আদৰ্শই সংস্কৃতিসেৱী নতুন যুগৰ পুৰুষৰ বাবে কঢ়িয়াই আনক অজস্ৰ অনুপ্ৰেৰণা, উদ্দীপনা, আৰু সাফল্যৰ নতুন বাৰ্ত্তা।

# ধোপৰগুৰি সত্ৰ

★ প্ৰাক্-ঐতিহাসিক যুগৰ পৰাই হাজো সদায় ধৰ্ম্মক্ষেত্ৰ হিচাবে পৰিগণিত হৈ আহিছে। হয়গ্ৰীৱ মাধৱৰ মন্দিৰ, পোৱামক্কা দৰগাহ এনে ধৰ্ম্মৰ ঠাই।

শঙ্কৰদেৱৰ প্ৰিয়শিষ্য মাধৱদেৱে তাঁতীকুছিত থাকি যেতিয়া বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিছিল, সেই সময়ত হাজোৰ পৰা কিছুমান ভক্ত তাঁতীকুছিলৈ গৈ গুৰুজনাত শৰণ লৈছিল। এইসকল ভক্তৰ খাটনিত গুৰুজনাই হাজোত এখন সত্ৰ স্থাপনৰ কথা ভাবি লক্ষীকান্ত আতৈক হাজোলৈ পঠিয়াই। আতৈয়ে হাজোৰ ভক্তসকলকলৈ নগৰৰ উত্তৰ দিশত এখন সত্ৰ প্ৰতিষ্ঠা কৰে। পিচলৈ গুৰুজনা নিজে হাজোলৈ আহি সত্ৰখনত কিছুদিন থাকে আৰু ধৰ্ম্মপ্ৰচাৰ কৰে। গুৰুজনাৰ লগত তাঁতীকুছিৰ পৰা কিছু গায়ন-বায়ন আহিছিল। এইসকল গায়ন-বায়ন আৰু হাজোৰ কিছু স্থানীয় শিল্পীক লৈ গুৰুজনাৰ তত্বাবধানত 'ৰুক্মিনী হৰণ' নাট অভিনীত হয়। নাট অভিনয়ৰ বাবে পোণতে এজোপা ধোপগছৰ তলত এখন সভা কৰা হৈছিল। এই ধোপগছৰ তলতে আতৈয়ে পিচলৈ এটি কীৰ্ত্তন ঘৰ সজোৱায়। এয়ে ধোপৰগুৰি সত্ৰ।

সেই তেতিয়াৰে পৰা সত্ৰখনৰ আশানুৰূপ উন্নতি হোৱা নাই। সত্ৰৰ নামত থকা স্থাৱৰ-অষ্ঠাৱৰ সম্পত্তি সমুহৰ ৰক্ষণাবেক্ষণ উপযুক্ত ভাবে নোহোৱাৰ ফলতেই এনে ঐতিহ্যমণ্ডিত অনুস্থান এখনে আজিকোপতি গা-কৰি উঠিব পৰা নাই। সেয়েহলেও, ৰাইজৰ এৰা-ধৰা চেণ্টাৰ ফলতেই সত্ৰখন পুনৰুজ্জিৱিত হোৱাৰ আশা দেখা গৈছে।

এই সত্ৰৰ পৰিচালনা সমিতিয়ে–সমূহ ভকতৰ লগহৈ প্ৰায় পোন্ধৰ বিঘা মাটি সুৰেন দাস মহাবিদ্যালয়লৈ আগবঢ়ায়। এই মাটিৰ ওপৰতেই মহাবিদ্যালয় প্ৰতিষ্ঠিত। ★ ★

# পূৰাণ প্ৰসিদ্ধ হাজো আৰু ইয়াৰ বৈশিষ্ট্য

শ্ৰীঅৱলা কান্ত আঠপৰীয়া
হাজো

**ত্ৰিবেণী সংগম হাজো** ঃ-(ক) 'পবিত্ৰ বুদ্ধ পূৰ্ণিমা-তিথিত হিন্দুতীৰ্থযাত্ৰীয়ে মুছলিম তীৰ্থভূমি হাজোৰ পোৱামক্কা দৰ্শন কৰিলে সোণৰজেঠী দেখা পায় আৰু বহুপূণ্য অৰ্জন কৰে' বুলি এটা প্ৰবাদ বাক্যৰ প্ৰচলন থকাই নহয়, সৌ সিদিনালৈ হিন্দুতীৰ্থ যাত্ৰীয়ে গভীৰ বিশ্বাসেৰে এই প্ৰবাদ পালন কৰি গৰুড়াচল পাহাৰৰ প্ৰায় ৬০০ ফুট উচ্চতাত প্ৰতিষ্ঠিত পবিত্ৰ পোৱা মক্কা দৰগাহ দৰ্শন কৰিছিল।

(খ) সনাতন হিন্দুধৰ্মৰ ত্ৰিধাৰা-শাক্ত, শৈৱ আৰু বৈষ্ণৱ পন্থাৰ মিলনভূমি হাজো।

(গ) কোচ্ আহোম আৰু মোগল এই তিনি দুৰ্জয় ৰাজশক্তিৰ ৰাজনৈতিক আৰু সামৰিক শক্তিৰ পৰীক্ষা কেন্দ্ৰও হাজো।

এনে এক বৈশিষ্ট্যপূৰ্ণ "ত্ৰিবেণী সংগম-হাজো' ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে গুৱাহাটীৰ পৰা প্ৰায় ৩৫ কিলোমিটাৰ পশ্চিমত অৱস্থিত।

**হাজো নামৰ আঁতিগুৰি বিচাৰিঃ**-গাওঁখনৰ নাম বিভিন্ন সময়ত বিভিন্ন ৰূপেৰে উল্লেখিত হৈ আহিছে। ৭ম শতিকাত বিৰচিত কবি ৰামচন্দ্ৰ বৰপাত্ৰৰ 'মাধৱবৰ্ণন পদ' পুথি, ১১শ শতিকাত ৰচিত কালিকা পুৰাণ আৰু মাৰ্কণ্ডেয় পুৰাণত হাজোৰ নাম 'মণিকুট' বুলি উল্লেখ কৰিছে। চতুৰ্দ্দশ শতিকাত ৰচিত যোগিনীতন্ত্ৰত ইয়াক 'অপুনৰ্ভৱ' বুলিহে কোৱা হৈছে। অষ্টাদশ শতিকাত ৰচিত দৰঙ্গৰাজবংশাৱলীমতে হাজোৰ নাম 'মণিকুট গ্ৰাম'। হাজো গাৱঁৰ বৈষ্ণৱ কবি অনন্ত কণ্ডলীকে ধৰি অসমৰ বিভিন্ন কবিৰ চৰিত পুথি সমূহত আৰু আহোম বুৰঞ্জীত এই গাৱঁৰ নাম হাজো বোলা হৈছে। ১৬৩২ খৃষ্টাব্দত সম্ৰাট ছাহজাহানৰ পুত্ৰ বংগৰ চুবেদাৰ চুজাই হাজোৰ নাম সলনি কৰি 'চুজাবাদ' কৰিবলৈ যত্ন কৰিছিল যদিও, ৰাখিব নোৱাৰিলে।

**হাজো নামৰ উৎপত্তিৰ গুৰি** ঃ- গাওঁখনৰ নাম 'হাজো' হোৱাৰ কেবাটাও জনশ্ৰুতি আছে। হিন্দু, বৌদ্ধ, মুছলিমঃ ঐতিহাসিক আৰু ভাষা-তাত্বিক দিশৰ পৰা কেইটামান জনশ্ৰুতি উল্লেখ কৰা হ'ল।

(ক) এসময়ত উৰ্ব্ব (?) ঋষিয়ে তপস্যা কৰি থাকোঁতে যোগ ভংগ হোৱাত 'হা-যোগ' 'হা-যোগ' বুলি মনোবেদনা প্ৰকাশ কৰিছিল। 'হা-যোগ'ৰ পৰা 'হা-যো' বা 'হাজো' হোৱা বুলি অনুমান কৰা হয়।

(খ) পণ্ডিত ডেল্টন চাহাবকে ধৰি বৌদ্ধ ধৰ্মাৱলম্বী বহুলোকে হাজো গাৱঁক বুদ্ধদেৱৰ মহাপৰিনিৰ্বানৰ স্থান বুলি বিশ্বাস কৰে। এই গাৱঁৰ মদনাচল পাহাৰৰ একেবাৰে পূব ফালে থকা 'বৰশাল' গছজোপাৰ তলত তেওঁ দেহ ত্যাগ কৰিছিল আৰু মনিকুট পাহাৰৰ টিলাত তেওঁৰ দেহ সংস্কাৰ কৰিছিল বুলিও তেওঁলোকে বিশ্বাস কৰে। বুদ্ধদেৱৰ মৃত্যুত তেওঁৰ শিষ্য সকলে 'হা-অ-জু' হা-অ-জু, বুলি শোক বিহ্বলহৈ কান্দিছিল। "হা-অ-জু"ৰ অৰ্থ সূৰ্য্য ডুবিল অৰ্থাৎ বুদ্ধৰূপী সূৰ্য্য ডুব গ'ল। পিচলৈ 'হা-অ-জু'ৰ পৰা 'হা-জু' বা হাজো হয় বুলি কোৱা হয়।

(গ) মুছলমান লোকসকলে পবিত্ৰ 'হজ' শব্দৰ পৰা হাজো নাম হোৱা বুলি বিশ্বাস কৰে।

(ঘ) চতুৰ্থ শতিকাৰ মেছ ৰজা 'হজ'ৰ নাম অনুসৰি তেওঁৰ ৰাজধানীৰ নাম 'হাজো' ৰখা বুলিও কোনো কোনো লোকে ইতিহাসৰ দৃষ্টি-কোণৰ পৰা কব খোজে।

(ঙ) 'হাজো' বড়োমূলীয় শব্দ। বড়োভাষাত 'হা' শব্দৰ অৰ্থ-মাটি আৰু 'গ্জৌ' শব্দৰ অৰ্থ ওখ। 'হা-গজৌ' শব্দ দুটা লগলগাই অৰ্থ কৰিলে ওখমাটি বুজায়। হাজো গাওঁখন পাহাৰে আগুৰা আৰু আন অঞ্চলতকৈ তুলনা ক্ৰমে ওখ। গতিকে,, হাজো নামটো 'হা-গ্জৌ' এই শব্দ দুটাৰ পৰা হব পাৰে বুলি ড.কাকতি দেৱেও অনুমান কৰে।

**ইতিহাসৰ দৃষ্টিত হাজো ঃ**- কোচ ৰাজ-বংশৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় ১৬ শ শতিকাত বিশ্বসিংহৰ মৃত্যুৰ পিচত তেওঁৰ বৰপুত্ৰ নৰনাৰায়ণ কোচ ৰাজ্যৰ ৰজা হয়। তেওঁৰ ভায়েক চিলাৰায়। নৰনাৰায়ণ বৃদ্ধ কাললৈ অপুত্ৰক হোৱাত চিলাৰায়ৰ পুতেক ৰঘুদেৱক ৰাজপাটত বহুৱাব বুলি থিৰ কৰে। এনেতে নৰনাৰায়ণৰ এটি পুত্ৰসন্তান জন্মে। নাম ৰখা হ'ল লক্ষ্মী-নাৰায়ণ। তেতিয়া ৰঘুদেৱে কেইগৰাকীমান বিষয়াৰ সৈতে সপৰিবাৰে মানাহ নদী পাৰহৈ আহি বৰ নগৰত থাকিবলৈ লয়। নৰনাৰায়ণে ভতিজাকক ঘূৰাই নিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা স্বত্তেও তেওঁ উভটি নগ'ল। শেষত নৰ-নাৰায়ণে কোছৰাজ্যৰ পূৱ অঞ্চল ৰঘুদেৱ নাৰা-য়ণক দিয়াত হাজোতে ৰাজধানী পাতি তেওঁ কাছ-হাজো ৰাজ্যৰ ৰজা হয়। ১৬১৩ খৃষ্টাব্দত গৃহকন্দলৰ বাবে কোছ-হাজো মোগলৰ হাতলৈ যায়। ১৬৩৫ চনত আহোম সকলে মোগলৰ হাতৰ পৰা কোছ-হাজো ৰাজ্য কাঢ়ি লয়। ১৬৩৮ চনত আকৌ মোগলক ঘূৰাই দিব লগীয়া হয়, কিন্তু ১৬৭১ খৃষ্টাব্দত আহোম সকলে এই ৰাজ্য পুনৰ অধিকাৰ কৰে। এইদৰে হাজোৱে প্ৰবল প্ৰতাপী মোগল, আহোম আৰু কোছ ৰাজশক্তিৰ শাসনৰ অভিজ্ঞতা লাভ কৰিবলৈ সমৰ্থ হয়।

অসমীয়া মোগল আৰু অসমীয়া সৈন্যৰ মাজত হোৱা এনে এখন যুদ্ধত ৭০০ সাতশ অস-মীয়া সৈন্যৰ সেনাপতি হয় হাজোৰ হায়দৰগাজী। প্ৰচণ্ড যুজত অসীম শক্তি প্ৰদৰ্শন কৰি তেওঁ মৃত্যুবৰণ কৰে! আজিও "হায়দৰ গাজীৰ গীত" নামৰ এটা গীতৰ কেইটুকুৰামান সিঁচৰতি হৈ থকা দেখা যায়।

**পূণ্যভূমি হাজো ঃ**—সুন্দৰীদিয়াত থকা কাল-চোৱাতে মহাপুৰুষ শ্ৰীমাধব দেৱে ৰজাৰওচৰত এডুখৰী পূণ্যভূমি খোজাত "গয়া বা কাশী"লৈ যাবলৈ খণ্ডেৰে হুকুমদিছিল। কিন্তু ভক্ত-প্ৰাণ ৰাজ-ৰান্ধনীয়ে যুক্তি দিলে যে "ৰজাই সন্ত-মহন্তক ৰাখেহে, নেখেদে।" ৰজাই ক'ত ৰাখিব লাগে বুলি সোধাত ,পূণ্যভূমি' হাজোতে ৰাখিব লাগে বুলি ৰান্ধনীয়ে পৰামৰ্শ দিছিল। সেইমতে ৰজাই মাধৱদেৱ পুৰুষক পূণ্যভূমি' হাজোলৈ পঠাইছিল। ইয়াতে তেৱাই ধোপৰগুৰি থান স্থাপন কৰি ছমাহকাল আছিল আৰু পৰমভক্ত লক্ষ্মী-কান্ত আতৈক সত্ৰাধিকাৰ পাতিথৈ গৈছিল। থানত থকা গুৰুজনাৰ 'পদশিলা' এটি আপুৰুগীয়া সম্পদ, আজিও এই থানে নৱবৈষ্ণৱ যুগৰ ভাগ-ৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ লগতে সত্ৰীয়া সংস্কৃতিও ৰক্ষা কৰি আছে।

ধৰ্মীয় সংস্কৃতিৰে পৰিপূৰ্ণ 'হাজো' প্ৰকৃততে পূণ্যভূমি, এনে এখন পবিত্ৰ ভূমিতেই চান্দসদা-গৰৰ পুত্ৰ লখীন্দাৰে পুনৰ জীৱন লাভ কৰিছিল এই কথাৰ সমৰ্থনত কেইবাটাও সবলযুক্তি ডাঙি ধৰিব পাৰি।

(ক) ব্ৰহ্মপুত্ৰৰ মূলশাখা তেতিয়া হাজোগাঁৱৰ দক্ষিণ মূৰত থকা কামেশ্বৰ মন্দিৰৰ কাষেৰে বৈ গৈছিল। হাজোৰ পশ্চিমত ছয়গাওঁ অৰ্থাৎ চম্পক নগৰ। দুয়োখন ঠাই ব্ৰহ্মপুত্ৰ নদীৰ পাৰত, হাজো উজনিত আৰু চম্পক নগৰ ভাটিত। সতী বেউলাৰ ৰামকলৰ ভেল উজাই অহা কথাই বেউলাৰ সতীত্বৰ কথা প্ৰমাণ কৰে। চম্পক নগৰৰ পৰা বেউলাৰ ভেল উজাই হাজো-লৈহে অহাতো সত্য। এই ভেল মদনাচল পাহা-ৰৰ পূবফালে নেতাই ধুবুনীৰ ঘাটতে লাগিছিল বুলি ভাবিবৰ থল আছে। এতিয়াও ধুবুনীৰ কাপোৰ ধোৱা পাট, ভেলে খুন্দিওৱা শিলাচিহ্ন, গোধাই

বৰশি বোৱা শিল আৰু স্থান, কালীনাগ' নামি অহা শিলাচিহ, স্বৰগদুৱাৰ, কৈলাশ পতি শিৱৰ স্থান, কেদাৰেশ্বৰ দেৱালয়, শিৱৰ বাহন শিলত কটা ষাড়গৰু পট পটকৈ জিলিকি আছে।

(খ) পুখিমাৰী নদী হাজোৰ উত্তৰেদি গাওঁখন স্পৰ্শ কৰি বৈ গৈ ব্ৰহ্মপুত্ৰত পৰিছে। নদীটোৰ উজনি আৰু ভাটিৰ অংশৰ নাম পুখিমাৰী; কিন্তু হাজো স্পৰ্শ কৰা অংশৰ নাম 'লখাই তৰা'। লখীন্দৰকা মৰমেৰে মাতা নাম 'লখাই'। লখাই এই ঠাইত 'তৰিছিল' অৰ্থাৎ পুনৰ জীৱন পাইছিল, সেইবাবে পুখিমাৰী নদীৰ নাম এই ঠাইত লখাই তৰা হোৱা একো আচৰিত নহয়।

(গ) শিৱক আৰাধনা কৰি সন্তুষ্ট কৰাৰ পাচত বেউলাই দেৱতা সমাজক নৃত্য প্ৰদৰ্শন কৰি সন্তুষ্ট কৰি দেৱতাৰ বৰ লাভ কৰিছিল দেৱতা সকলৰ বৰত লখীন্দাৰে পুনৰ দেহ ধাৰণ কৰিছিল। কালীনাগে আহি লখাইৰ দেহৰপৰা বিষ নাইকীয়া কৰি লখাইক জীয়াই তুলিছিল।

উক্তকাহিনীৰ সত্যতা প্ৰমাণ কৰিবলৈ আৱশ্যকীয় দেৱসমাজক লগ ধৰাৰ বাবে স্বৰগদুৱাৰ আৰু দেৱসমাজ, কালীনাগ, ধুবুনীৰ ঘাটলৈ নামি অহা শিলাংকিত বাট, শিৱক আৰাধনা কৰিবলৈ কেদাৰেশ্বৰ দেৱালয় আৰু শিলৰ-ষাঁড়-গৰু বিদ্যমান।

(গ) হাজোৰ ধৰ্মীয় দেৱদাসী নৃত্যৰ কথা প্ৰতিজন সচেতন লোকে জানে। এনেনৃত্যৰ জৰীয়তে বেউলাই দেৱসমাজক সন্তুষ্ট কৰিব পাৰে বুলি বিশ্বাস কৰিব পাৰি।

'লখাই' পুণৰ জীৱন লাভ কৰা স্থান হাজো প্ৰকৃততেই পূণ্যভূমি। গাওঁখনৰ ধৰ্মীয়, সাংস্কৃতিক, অৰ্থনৈতিক আৰু সামাজিক বিকাশ ইয়াৰ দৌল দেৱালয় আৰু দৰ্গাহক কেন্দ্ৰ কৰি গঢ়ি উঠিছে বুলি কব পাৰি। মুছলমানৰ পোৱামক্কা আৰু হিন্দুৰ হয়গ্ৰীৱ মাধৱ, কেদাৰেশ্বৰ, কমলেশ্বৰ, কামেশ্বৰ, গনেশ আদি পঞ্চতীৰ্থ : জয়দুৰ্গা আৰু ধোপৰ গুৰি সত্ৰ আদি ধৰ্মস্থানৰ কথা উল্লেখ নকৰাকৈ হাজো গাৱঁৰ কথা ভাবিব নোৱাৰি।

**ৰহস্যময় দেৱভূমি হয়গ্ৰীৱ মাধৱঃ**—হাজো গাঁৱৰ মধ্যভাগত থকা মণিকুট পাহাৰত অৱস্থিত "হয়গ্ৰীৱ মাধৱ মন্দিৰ ভক্তপ্ৰাণ বৈষ্ণৱ লোকৰ বাবে অন্য এক জগন্নাথ ক্ষেত্ৰ। বিভিন্ন ধৰ্মগ্ৰন্থই এই দেৱভূমিক এক ৰহস্যময় তীৰ্থক্ষেত্ৰ হিচাপে গঢ়ি তুলিছে।

যোগিনীতন্ত্ৰত উল্লেখ কৰা মতে ৰজা ইন্দ্ৰদ্যুম্নই দেৱনিৰ্মিত প্ৰাসাদত মহাযজ্ঞ কৰিবলৈ মনস্থকৰি চিন্তা কৰি থাকোঁতে স্বপ্নত ব্ৰহ্মাই দেখা দি দক্ষিন সাগৰৰ তীৰত পুৰুষোত্তমক চিন্তি তপস্যা কৰিবলৈ পৰামৰ্শ দিলে। সেই অনুক্ৰমে এক সিদ্ধ বটবৃক্ষৰ তলত ৰজা তপস্যাত নিমগ্ন হ'ল। একান্ত ভক্তিত তুষ্ট হৈ চতুৰ্ভূজ বিষ্ণুৱে দেখা দি সাগৰৰ পাৰত থকা এজোপা মাঝাঠি বৃক্ষৰ (তুলসী বৃক্ষ) সন্ধেদ দিলে, আৰু অকলে অকলে গৈ সেই বৃক্ষ কাটি তাৰ পৰাই বিষ্ণুৰ প্ৰতিমা নিৰ্মাণ কৰিবলৈ উপদেশ দিলে। ৰজাই উক্ত তুলসী বৃক্ষ ছেদন কৰি সাতখণ্ড কৰিলে।

তাৰ পৰাই বিশ্বকৰ্মাৰূপী বিষ্ণুৱে মন্দিৰৰ ভিতৰতে কৃষ্ণ-সুভদ্ৰা আৰু বলভদ্ৰৰ মূৰ্ত্তি কাটি পুৰীৰ ৰজাৰ হতুৱাই প্ৰতিষ্ঠা কৰালে। সেয়ে, পুৰীৰ মহাপ্ৰভু জগন্নাথ ক্ষেত্ৰ। মাঝাঠি কাঠ দুইখণ্ডত বাহিৰে বাকীকেইখণ্ডৰো বিভিন্ন প্ৰতিমা সাজি বিভিন্ন স্থানত স্থাপন কৰালে। বাকী দুইখণ্ড কামৰূপলৈ পঠালে। ইয়াৰ নিম্নভাগৰ পৰা মৎস্য মাধৱ আৰু উৰ্দ্ধভাগৰ পৰা বিষ্ণুমূৰ্ত্তি কাটি হাজোৰ মনিকুট টিলাত বৰুণৰ দ্বাৰা প্ৰতিষ্ঠা কৰালে। সেই মূৰ্ত্তি 'হয়াখা মাধৱ' নামে নামাংকিত হ'ল। পিচত ইয়াৰ নাম হয়গ্ৰীৱ মাধৱ হয়।

হাজোৰ হয়গ্ৰীৱ মাধৱ পূৰ্ব দিশত আৰু ওৰেষাৰ জগন্নাথক্ষেত্ৰ পশ্চিম দিশত। মাধৱ মন্দিৰৰ মূল প্ৰবেশদ্বাৰ আৰু টোৰণ উত্তৰফালে থাকিলেও ইয়াৰ পশ্চিম ফালেও এখন প্ৰধান দুৱাৰ মুখ আছে। হাউলিৰ পশ্চিম ফালে এখন টোৰণ আৰু খটখটী আছে। তীৰ্থযাত্ৰী সকলৰ বিশ্বাস যে হয়গ্ৰীৱ মাধৱ দৰ্শন কৰিবলৈ অহা যাত্ৰীয়ে পশ্চিম দ্বাৰত থিয়হৈ পশ্চিমলৈ মুখ কৰি জগন্নাথ



মহাপ্ৰভুক সেৱা কৰিলে জগন্নাথ দৰ্শনৰ সমান পুণ্য অৰ্জন কৰে। আনহাতে, জগন্নাথ দৰ্শন কৰি ঘূৰি অহা তীৰ্থযাত্ৰীয়েও বাহিৰে বাহিৰে মাধৱ দৰ্শন নকৰিলে বা মাধৱ দৰ্শনৰ পিচত পশ্চিম দুৱাৰেদি জগন্নাথ মহাপ্ৰভুক প্ৰণাম নকৰিলে দৰ্শনৰ সম্পূৰ্ণ ফল নাপায়। উক্ত জন বিশ্বাসৰ পৰা হয়গ্ৰীৱ মাধৱ আৰু জগন্নাথ ক্ষেত্ৰৰ ঘনিষ্ঠ সম্পৰ্কৰ কথা বুজিব পাৰি। হয়গ্ৰীৱ মাধৱ ৰূপী বিষ্ণু সূৰ্য্য দক্ষিনায়নৰ পৰা সূৰ্য্যৰ উত্তৰায়নলৈ শয়নত পৰা ব্যৱস্থা আজিও মাধৱ মন্দিৰত প্ৰচলিত হৈ আছে। উত্থান একাদশীৰ দিনা হয়গ্ৰীৱ মাধৱ শয়নৰ পৰা উঠে। সেইবাবেই বোধহয়-অজান কবিয়ে হাজোক দ্বাৰকা কল্পনা কৰি মাধৱ বন্দনাত লিখিছে "ওৰেষাত ভোজন প্ৰভুৰ দ্বাৰকাত শয়ন।"

কালিকা পুৰাণৰ কাহিনীমতে লৌহিত্য সাগৰৰ পুবৰ মণিকুট পৰ্বতত হয়গ্ৰীৱ বিষ্ণুৰ প্ৰতিমূৰ্ত্তি আছে। বিষ্ণুৱে হয়গ্ৰীৱ ৰূপে জৰাসুৰ আৰু হয়াসুৰক বধ কৰি দেৱতা নৰৰ মংগলৰ বাবে মনিকুটত হয়গ্ৰীৱ মাধৱৰূপে অৱস্থান কৰি আছে। ৭ম শতিকাত ৰচিত কবি ৰামচন্দ্ৰ বৰপাত্ৰৰ মাধৱ বৰ্ণন পদ ( মনিকুট ) পুথিত যোগিনী তন্ত্ৰ আৰু কালিকা পুৰাণৰ কাহিনী দুটাৰ উল্লেখ কৰাৰ উপৰিও উৰ্ব্বঋষিৰ তপস্যাৰ বলত বিষ্ণুৰ আৱিৰ্ভাৱ হোৱা কথাও উল্লেখ কৰিছে। মহাভাৰতৰ শান্তিপৰ্বত বিষ্ণুই হয়গ্ৰীৱ ৰূপে মধুকৈটভ দৈত্যক নিধন কৰাৰ কথা উল্লেখ আছে। ভাগৱত পুৰাণত বিষ্ণুৱে মৎস্য ৰূপ ধৰি হয়গ্ৰীৱ নামৰ দৈত্যক বধ কৰি হয়গ্ৰীৱ মাধৱ, নামলোৱা দেবীভাগৱতত বিষ্ণুৱে হয়গ্ৰীৱ ৰূপে সেই নামৰে এজন দৈত্যক বধকৰা কথা স্পষ্ট ভাৱে লিখা আছে। স্কন্দ পুৰাণতো হয়গ্ৰীৱ অৱতাৰ সম্পৰ্কে উল্লেখ থকা বুলি জনা গৈছে।

বৌদ্ধ ধৰ্মৰ দৃষ্টিকোণৰ পৰা বিচাৰ কৰি ভালেমান পণ্ডিতে মত প্ৰকাশ কৰিছে যে হাজোৰ মণিকুট পাহাৰত অৱস্থিত হয়গ্ৰীৱ মাধৱৰ মন্দিৰ মূলতঃ এটা বৌদ্ধ চৈত। পণ্ডিত ই টুইট ডেল্টন চাহাবৰ মতে হয়গ্ৰীৱ মাধৱৰ মুল মুৰ্ত্তিটো মালা-ফুল আৰু কাপোৰে ঢাকি ৰখা মহামুনি বুদ্ধদেৱৰ প্ৰতিমূৰ্ত্তি। তেওঁৰ ভাষাত "Its modern votaries have to conceal multilation given it a pair of silver gogle eyes and a hooked gift or silvered nose and the form is concealed from view by clothes and chaplets of flowers but remove these and there is no doubt of the image having been intended for 'the ruler of all' the propitious, the asylum of clemency, the all wise the lotus eyed, the comprehensible Buddha."

তাতোকৈ বেছি স্পষ্ট কৰিব খুজিছে এগৰাকী তিব্বতৰ পণ্ডিতে তেওঁ দাবী কৰিছে হয়গ্ৰীৱ মাধৱ মন্দিৰত থকা মূৰ্ত্তি কেইটা বৌদ্ধ মূৰ্ত্তিহে। সেই কেইটাৰ ভিতৰত

১) লাল কানায়া বঙ্ক বিহাৰী—ডৰ্জে ডোলো
২) বসুদেৱ —শাক্য থুবা
৩) বুঢ়ামাধৱ —মহামুনি বুদ্ধ
৪) দ্বিতীয় মাধৱ —উগ্গৰ গুৰু
৫) হয়গ্ৰীব —চেঞ্চামুনি,

বাকী চাৰি গৰাকী মুখ্য-শিষ্যৰে সৈতে মহামুনি নামে বুদ্ধদেৱ অৱতীৰ্ণ হৈ আছে। ইয়াৰ ৰহস্য মাধব দেৱালয়ৰ ধৰ্মীয় কৰ্মচাৰী 'বিশ্বাসী' সকলে জানে।

প্ৰধান মন্দিৰৰ বাহিৰবেৰৰ একেবাৰে তলত চাৰিওফালে এশাৰী হাতীৰ মূৰৰ শিলামূৰ্ত্তি আছে। ইলোৰাৰ কৈলাশ মন্দিৰত থকা হাতীৰ মূৰৰ শিলামূৰ্ত্তি বোৰৰ লগত ই বোৰৰ সাদৃস্য থকা বাবে কোনো কোনো পণ্ডিতে এই মন্দিৰ বৌদ্ধ মন্দিৰ বুলি অনুমান কৰে। ভালেমান হিন্দুধৰ্ম গ্ৰন্থত হয়গ্ৰীৱক বিষ্ণুৰ অৱতাৰ বুলিলেও হিন্দুধৰ্ম শাস্ত্ৰৰ দৃষ্টিত হিন্দুদেৱতা সকলৰ মাজত হয়গ্ৰীৱৰ বিশেষ স্থান নাই। আন হাতে, বৌদ্ধ তন্ত্ৰমতে বৌদ্ধ দেৱতা সকলৰ মাজতহে হয়গ্ৰীৱে প্ৰাধান্য লাভ কৰিছে। সেইবাবে ড০ কাকতি দেৱেও হয়গ্ৰীৱ মুলতঃ হিন্দু দেৱতা নহয় বুলি

অনুমান কৰে। মন্দিৰৰ শিলতকটা চতুৰ্ভূজ বিষ্ণু মূৰ্ত্তিৰ লগতে খোদিত "ওঁ মনিপদ্মে হুং এই বিখ্যাত বৌদ্ধ মন্ত্ৰটিয়ে বৌদ্ধ ধৰ্মৰ প্ৰভাৱ থকা স্পষ্ট ভাৱে প্ৰমাণ কৰে। সম্ভৱতঃ ১৯৫৬ চনত বিশ্বকবি ৰবীন্দ্ৰ নাথ **ঠাকুৰৰ** সুযোগ্য নাতি প্ৰখ্যাত কলাকাৰ শুভঠাকুৰে হয়গ্ৰীৱ মাধৱ দৰ্শন কৰিছিল। মাধৱৰ জগমোহনৰ ভিতৰত থকা শিলৰ খুটা চাৰি-ডোখৰ, বাহিৰৰ অ'ত ত'ত পৰি থকা সিংহৰ শিলামূৰ্ত্তি তিনি-ডোখৰ আৰু অস্পষ্ট অশোক চক্ৰ অংকিত শিল এডোখৰ, ডিঙিলৈকে থকা এটা বুদ্ধমূৰ্ত্তি পৰ্য্যবেক্ষন কৰি তেখেতে মন্তব্য দিছিল যে মাধৱ মন্দিৰ মূলতঃ বৌদ্ধ চৈত নহলেও ইয়াত বৌদ্ধধৰ্মৰ প্ৰভাৱ সুস্পষ্ট। অসমৰ প্ৰখ্যাত সাহিত্যিক ৺দৈৱ চন্দ্ৰ তালুকদাৰ ডাঙৰীয়াৰ Buddha Hajo, আৰু ৺উমেশ চন্দ্ৰ তালুকদাৰ Hajo, the place of Mahaparinirbana of the Buddha নামৰ গ্ৰন্থ দুখনত বিভিন্ন তথ্য পাতিৰে মাধৱ মন্দিৰক বৌদ্ধ মন্দিৰ বুলি প্ৰমান কৰিবলৈ যত্ন কৰিছে। ভূটান আৰু তিব্বতত সংৰক্ষিত গ্ৰন্থ কেইখন মানত এই মন্দিৰ বৌদ্ধ মন্দিৰ বুলি প্ৰতিপন্ন কৰিছে।

তথাপি উভয় দৃষ্টিকোণৰ পৰা বিচাৰ কৰি সিদ্ধান্ত কৰিব পাৰি যে হয়গ্ৰীৱ মূলতঃ বৌদ্ধ বা আন যিকোনো ধৰ্মৰ দেৱতাই নহওক কিয় এইজনা দেৱতাক ৪ৰ্থ শতিকা মানৰ পৰা অৰ্থাৎ মহাভাৰতৰ যুগৰ পৰাই বিষ্ণুৰ অৱতাৰ হিচাবে পুজা সেৱা কৰি অহা হৈছে।

এই ক্ষেত্ৰত কৰ্ণাটকৰ এগৰাকী সন্যাসী পণ্ডিতৰ মন্তব্য প্ৰণিধানযোগ্য। তেওঁৰ মতে দক্ষিণাত্যত থকা কেইবাখনো শাস্ত্ৰত হয়গ্ৰীৱক হিন্দুদেৱতা বোলা হৈছে। হয়গ্ৰীৱ মাধৱ মন্দিৰে যে হিন্দু মন্দিৰ তাত সন্দেহ নাই। ভাৰতৰ হিন্দু আৰু বৌদ্ধ ধৰ্মৰ উত্থান-পতনৰ লগত ইয়াৰ পৰিবৰ্ত্তন ওত: প্ৰোতঃ ভাবে জৰিত। হিন্দুধৰ্মৰ অৱনতি হৈ বৌদ্ধধৰ্মৰ উত্থানৰ লগে লগে এই মন্দিৰৰো ভাস্কৰ্য্য, পূজা-সেৱা আনকি মূৰ্ত্তিৰো পৰিবৰ্ত্তন হৈ বৌদ্ধ ৰূপ লয়। আকৌ বৌদ্ধ ধৰ্মৰ অৱনতি হৈ হিন্দু ধৰ্মৰ পুনৰুত্থানৰ লগে লগে ই আকৌ ৰূপ সলাই হিন্দুভাস্কৰ্য্য পূজা সেৱা আৰু হিন্দু মূৰ্ত্তিত ৰূপান্তৰিত হয়। উত্তৰ ভাৰতৰ বক্ৰৰৈখিক হিন্দুভাস্কৰ্য্য এই মন্দিৰত ম্লান হোৱা নাই। ইয়াৰ উপৰিও গাওঁখনৰ অন্য মঠ মন্দিৰ আৰু আশে পাশে থকা শিলামূৰ্ত্তি সমূহৰ লগত ইয়াক সামগ্ৰিক ভাবে বিবেচনা কৰিলে হয়গ্ৰীৱ মাধৱ মন্দিৰ হিন্দুমন্দিৰ বুলি কোৱাই যুক্তিসংগত।

শিলৰ ভাস্কৰ্য্যৰ পৰা অনুমান কৰিব পাৰি ইয়াৰ মূলমন্দিৰ ৬ষ্ঠ-৭ম শতিকামানত নিৰ্মান কৰা হয়। বুৰঞ্জীৰ বিৱৰণ মতে—প্ৰায় ১৫৬৮ খৃষ্টাব্দত গৌড়ৰ সেনাপতি কালাপাহাৰৰ (কালুদেৱান/কালু চদাৰ) নিৰ্দ্দেশত মুছলমান সৈন্যই হয়গ্ৰীৱ মাধৱৰ মূল মন্দিৰ আংশিক ভাবে ধ্বংশ কৰে। পিচত ১৫৮৩ চনমানত কোছ ৰজা ৰঘুদেৱ নাৰায়ণে এই মন্দিৰ পুনৰ মেৰামতি কৰায়। মূল মন্দিৰৰ ওচৰত থকা দৌলগৃহ মন্দিৰ ১৭৫০ খৃষ্টাব্দত আহোমৰজা প্ৰমত্ত সিংহই নিৰ্মাণ কৰায়।

**শান্তিৰ তপোৱন কেদাৰেশ্বৰ কমলেশ্বৰ আৰু জয়দূৰ্গা মন্দিৰ** ঃ-হাজোৰ দক্ষিন পূব মূৰত মদনাচল পাহাৰ। পাহাৰৰ ওপৰে ওপৰে প্ৰায় এক কিলোমিটাৰ পথ অতিক্ৰম কৰিলে পাহাৰৰ প্ৰায় চাৰিশফুট উচ্চতাত পাহাৰ বেষ্টিত এক পুষ্কৰিণী পোৱা যায়। পুষ্কৰিণীটোৰ উত্তৰ পশ্চিম কোণত কেদাৰেশ্বৰ বা কেদাৰশিৱ দেৱালয়। সতীৰ দেহত্যাগৰ পিচত শিৱই সতীদেহ কান্ধতলৈ ভ্ৰমন কৰিছিল। তেনে এক শিলামূৰ্ত্তি প্ৰতিষ্ঠা কৰা বাবে 'কে-দাৰ' বুলি অভিহিত কৰা হয়। মূৰ্ত্তিটো গভীৰ ক'লা ৰঙৰ বাবে আৰু আন্ধাৰতে এখন পিতলৰ ঢাকনিৰে ঢাকি ৰখা বাবে স্পষ্টভাবে চিনি পোৱা নাযায়। মুৰ্ত্তিটো এটা শিৱলিংগৰ দৰে দেখা যায়। কোনো কোনো পণ্ডিতে ইয়াক স্বয়ম্ভূলিংগ বুলি অভিহিত কৰিছে।

কেদাৰেশ্বৰ মূল মন্দিৰ কোনে কেতিয়া সজাইছিল তাৰ নিৰ্ভৰযোগ্য তথ্য পোৱা নাযায়। ১৭৫৩ খৃষ্টাব্দ মানত আহোমৰজা ৰাজেশ্বৰ



সিংহই ইয়াৰ সামান্য মেৰামতি কৰোৱাৰ উপৰিও দুখন বেৰ সংযোজন কৰা বুলি জনা যায়। শিৱমন্দিৰ হলেও শিৱৰাত্ৰি আৰু দৈনন্দিন ভোগ প্ৰসাদত খাহীৰ মাংসও অৰ্পণ কৰা হয়।

কেদাৰেশ্বৰৰ পূৱফালে পুষ্কৰিণীটোৰ উত্তৰ পাৰত শিৱপীঠ কমলেশ্বৰৰ মন্দিৰ। পূৰ্বতে এই মন্দিৰৰ গুৰুত্ব আৰু মাহাত্ম্য অতি বেছি আছিল। বৰ্ত্তমান ইয়াৰ গুৰুত্ব যথেষ্ট হ্ৰাস পাইছে। প্ৰথম অৱস্থাৰ মন্দিৰ এতিয়া আৰু নাই। তাৰ ঠাইত আহোম যুগৰ ইটাৰে নিৰ্মিত এটা সৰু মন্দিৰহে আছে। বেদীৰ শিৱলিংগত পূজাসেৱা চলে।

কেদাৰেশ্বৰ মন্দিৰৰ নিচেই ওচৰত একেটা পুষ্কৰিণীৰ পশ্চিম পাৰত জয় দুৰ্গাৰ মন্দিৰ। বেদীত দশভুজা দূৰ্গা গোসানীৰ শিলৰ মূৰ্ত্তি আছে। দেবীপীঠত মহাষ্টমী দূৰ্গা পূজাৰ দিনা বিশেষভাবে বলিপূজা হয়। সিদিনা ভক্তসকলৰ যথেষ্ট সমাগম হয়। মূল মন্দিৰটো আহোমৰজা লক্ষী নাৰায়ণ সিংহই ১৭৭৪ চনত নিৰ্মান কৰাইছিল। বৰ্ত্তমান ই ভগ্নাৱস্থাত আছে। মাধৱাদি পঞ্চতীৰ্থভুক্ত নোহোৱা এইদেৱী অন্য এগৰাকী দলৈয়ে এখন কমিটিৰ যোগে পৰিচালনা কৰে।

তিনিওখন দেৱালয় থকা এই ঠাইখিনি শান্তিৰ তপোবন প্ৰকৃতিৰ আলফুলীয়া কোলা।

এই মন্দিৰ সমূহৰ পৰা এককিলোমিটাৰ পশ্চিমে একে লেঠাৰীয়ে থকা পাহাৰৰ ওপৰত কামেশ্বৰ মন্দিৰ। বৰ্ত্তমান এই মন্দিৰৰ বেদীত শিৱলিংগ আছে। অতীত কালত কামেশ্বৰ মন্দিৰত মদন-কামৰ পূজা সেৱা চলিছিল বুলি জনা যায়। কিন্তু পিচৰ কালত শিৱৰ স্থান হিচাপে ইয়াত শিৱপূজা সেৱা চলিবলৈ ধৰে। ১৮শ শতিকাত এই মন্দিৰ আহোম ৰজা প্ৰমত্ত সিংহই নিৰ্মান কৰায়; কিন্তু ১৮৯৭ খৃষ্টাব্দৰ প্ৰলয়ঙ্কৰী ভূমিকম্পত ই সম্পূৰ্ণ ধ্বংশ হয়। ১৯৪০-৫০ খৃষ্টাব্দত আধুনিক নিৰ্মান কৌশলেৰে কামেশ্বৰ মন্দিৰ পুনৰ নিৰ্মাণ কৰা হয়।

কামেশ্বৰ মন্দিৰৰ নামনিত শ্ৰীগনেশ মন্দিৰ। এটা প্ৰকাণ্ড শিলত কটা গনেশৰ মূৰ্ত্তিক আবৃত কৰি গনেশমন্দিৰ নিৰ্মাণ কৰা হয়। সন্মুখত থকা দেৱভৱনত দেৱতা সকলৰ সভা বহে বুলি জনবিশ্বাস আছে। ১৭৪৪ চন মানত উক্ত মন্দিৰ আহোমৰাজ প্ৰমত্ত সিংহই নিৰ্মাণ কৰায়।

**ধৰ্মীয় সংহতিৰ অন্য এক পূণ্য পীঠ পোৱামক্কাঃ**-হাজো গাৱঁক আৱৰি থকা পাহাৰ কেইখনৰ ভিতৰত গৰুড়াচল পাহাৰ আটাইতকৈ ওখ। এই পাহাৰৰ উচ্চ শিখৰত এসময়ত হিন্দুৰ সূৰ্য্য মন্দিৰ আছিল বুলি বহুতে বিশ্বাস কৰে। এই পাহাৰৰ নাম সম্পৰ্কে এটা কিম্বদন্তী আছে-। গৰুড়পুৰাণত উল্লেখিত গৰুড় পক্ষীৰ জন্মৰ সময়ত অতি ভোকাতুৰ হৈ ঘূৰি ঘূৰি সাগৰতীৰত উপস্থিত হলগৈ। তাত দেখিলে এক হাতী আৰু কচ্ছপে যুজবাগৰ কৰি আছে। তাকে দেখি ঠেঙেৰে প্ৰকাণ্ড হাতীটো থাপ মাৰি উৰা মাৰিলে। খাবলৈ কিন্তু ক'তো ঠাই নেপালে। যিডাল বৃক্ষত পৰে, সেই ডালেই ভাগি পৰে। এইদৰে উৰি উৰি পূৰ্ব দিশ পালেহি, হাজো গাৱঁৰ পূব প্ৰান্তত থকা এই পাহাৰ শিখৰত উৰিফুৰোঁতে গৰু চৰাই থকা বালক কৃষ্ণই অন্তৰৰ কথা জানি গৰুড়ক আহ্বান কৰিলে আৰু হাতখনতে পৰি আহাৰ খাবলৈ কলে। ঠাট্টা কৰা বুলি গৰুড়ে ইতিকিং কৰিলে। কিন্তু কৃষ্ণই দৃঢ়ভাবে আহবান কৰাত গৰুড়পক্ষী কৃষ্ণৰ হাতত পৰিল। আৱশ্যক অনুযায়ী কৃষ্ণই হাত সম্প্ৰসাৰণ কৰিলে আৰু শক্তিশালী কৰিলে যাতে গৰুড়ে আহাৰ খাবলৈ সুবিধা পায়। উৰন্ত গৰুড় এই পাহাৰশিখৰত ৰৈ আহাৰ খাব পাৰিছিল বাবে ইয়াক গৰুড়াচল পাহাৰ বোলে। হাজো গাৱঁৰ মাজভাগতে থকা উৰন্ত গৰুড়মূৰ্ত্তি সহ কৃষ্ণমূৰ্ত্তি থকা পাখামেলা' নামৰ এক ধৰ্মক্ষেত্ৰই ভক্ত গৰুড়ৰ হাজোত অৱস্থিতিৰ কথাকে সূচায়।

এনে এক পবিত্ৰস্থানত মুছলমান সকলৰ মহিমামণ্ডিত তীৰ্থক্ষেত্ৰ পোৱামক্কা। পোৱামক্কা নামৰ লগতো কেইবাটাও পৌৰাণিক লোকবিশ্বাস জৰিত আছে। যেনেঃ — (ক) অলৌকিক শক্তি সম্পন্ন ধৰ্মপ্ৰাণ গিয়াচুদ্দিন আউলীয়াই মক্কা শ্বৰিফৰ

পৰা এপোৱা পবিত্ৰ মাটি আনি ইয়াত প্ৰতিষ্ঠা কৰিছিল। বিশ্বাস কৰা হয় পোৱামক্কা দৰ্শন কৰিলে, মক্কাশ্বৰিফ দৰ্শনৰ একচতুৰ্থাংশ পূণ্য অৰ্জন কৰে। গতিকে, এই তীৰ্থক্ষেত্ৰক পোৱা-মক্কা বোলে।

(খ) মক্কাশ্বৰিফ সংস্কাৰৰ সময়ত হেনো ৩৬০ টা শিলামূৰ্ত্তি পোৱা হৈছিল, পীৰ আউলীয়া চাহাবে পোৱামক্কা প্ৰতিষ্ঠা কৰাৰ সময়তো হেনো ৯০ টা শিলামূৰ্ত্তি পাইছিল। সংখ্যাৰ ফালৰ পৰা পোৱামক্কা মক্কাৰ ¼ এভাগ। গতিকে, ধৰি-লোৱা হৈছিল পবিত্ৰ মক্কাশ্বৰিফৰ ¼ ভাগ পূণ্য-বিজৰিত পবিত্ৰতীৰ্থ এই পোৱামক্কা। উল্লেখিত তথ্য সমূহৰ বুৰঞ্জীমূলক ভিত্তি এতিয়ালৈ পোৱা হোৱা নাই। এইবোৰ কিম্বদন্তীহে ; গতিকে সত্যাসত্য নিৰ্ণয় কৰা কঠিন। উত্তৰ পূৰ্বাঞ্চলত এই দৰ-গাহৰ মাহাত্ম্য অসীম। পোৱামক্কা দৰগাহৰ মছজিদ ঘৰটো ১৬৫৭ খৃষ্টাব্দত বংগৰ নবাব চুজাউদ্দিন মহম্মদ চাহে নিৰ্মাণ কৰাইছিল। ইয়াৰ সন্মুখত ভক্তপ্ৰাণ পীৰ গিয়াচুদ্দিন আউ-লীয়া চাহাবৰ কবৰ বিৰাজমান। ইয়াৰ উপৰিও কালুদেৱান ( কালাপাহাৰ / কালুচৰ্দাৰ) ছাহ-জামাল, ছাহগুদুৰ আৰু ছাহ বুজৰুগ আদি পূণ্যৱান লোক সকলৰ সমাধি গৰুড়াচল পাহাৰত এনেভাবে সিঁচৰতি হৈ আছে যেন গোটেই পাহাৰ খনেই এখন ইছলাম ধৰ্ম্ম-ক্ষেত্ৰত পৰিণত হৈছে।

পবিত্ৰ মাঘ মাহত পীৰ আউলীয়া চাহাবৰ 'উৰুচ' উৎসৱত হাজাৰ হাজাৰ ইছলাম ধৰ্মী-লোকে পোৱা মক্কা দৰ্শন কৰি জীৱন ধন্য কৰে।

বুদ্ধ পূৰ্ণিমাতিথিত হিন্দুলোকে এই মহান ধৰ্মক্ষেত্ৰ দৰ্শন কৰিও পূণ্য অৰ্জন কৰে। গতিকে ই সংহতিৰ পবিত্ৰ ধৰ্মপীঠ।

**সংস্কৃতিৰ ভঁৰাল হাজো ঃ—** সুক্ষ্ম কলাৰ এক আপুৰুগীয়া সম্পদ হাজোৰ দেৱদাসী নৃত্যৰ বিষয়ে অসমৰ প্ৰায়বোৰ সচেতন লোকে জানে। ওপৰত উল্লেখ কৰা মঠ-মন্দিৰ মছজিদৰ উপৰিও অ'ত ত'ত পৰি থকা শিলামূৰ্ত্তি শিলালিপি বোৰে পবিত্ৰভূমি হাজোৰ সাংস্কৃতিক সম্পদ সমূহৰ কথা ৰিঙিয়াই কৈ আছে। মদনাচল পাহাৰৰ পূবফালে থকা সতীবেউলাৰ ভেলবন্ধা স্থান কালীনাগ নামি অহা বাটৰ শিলাচিহ্ন, নেতাই ধুবুনীৰ কাপোৰ ধোৱা শিলৰ পাট, গোধাই বৰশিবোৱা শিল, স্বৰগ দুৱাৰে আজিও সতী-বেউলাৰ কাহিনী কয়। শিলৰ ষাঁড়গৰু আৰু শিলৰ প্ৰকাণ্ড চৰিয়াটোৱে কৈলাশপতি শিৱস্থান ইয়াতে থকাৰ ইংগিত দিয়ে; বিষ্ণু পুষ্কৰিণী, সুভাগ্য পুষ্কৰিণী আমি ৰজাদিনীয়া পুখুৰীৰ খনন কাৰ্য্যই ৰজা আৰু ধৰ্মৰ সম্পৰ্কে ঘোষণা কৰে। কেদাৰেশ্বৰ মন্দিৰৰ কাষত থকা কপিলমুনিৰ আশ্ৰম, মনিকুট পাহাৰৰ চৈতন্য গুহা ইছলাম সন্ত লোকৰ সমাধি সমূহ আৰু ধোপৰ গুৰি সত্ৰই হাজোক যুগে যুগে সাধু-সন্যাসী, সন্ত-মহন্তৰ আবাস ভূমি বুলি পৰিচয় দিয়ে। যি ঠাইত অনন্ত কণ্ডলীৰ দৰে বৈষ্ণৱ কবিয়ে ভাগ-ৱত পাঠ কৰিছিল, মহাপুৰুষ দামোদৰ দেৱকে ধৰি তেৰাৰ পৰিয়ালৰ আটাই কেউজনে ভাগৱত পাঠ কৰি চৰ্চা কৰিছিল তেনে এখন 'সৎসংগ'ৰ কেন্দ্ৰভূমি হাজো।

বাৰমাহত তেৰ পৰ্ব্ব পালন কৰা হাজো গাঁৱত হিন্দু আৰু মুছলিম উভয়ে বিভিন্ন উৎসৱ জাকজমকতাৰে পালন কৰে, অসমৰ ৰাইজৰ লগতে ৰঙালি. আৰু কাঙালি বিহু পালন কৰাৰ উপৰিও ভোগালি বিহু বিশেষ ভাবে পালন কৰে। সংক্ৰান্তিৰ দিনা মাধৱমন্দিৰ প্ৰাংগনত 'বুলবুলি' যুজৰ প্ৰতিযোগিতা হয়। প্ৰথম মাঘৰ দিনা হাজাৰ হাজাৰ হিন্দু আৰু মুছলিম ধৰ্মপ্ৰাণ লোকেৰে হাজো গাওঁ উখল মাখল লাগে। ভূটা-নৰ পৰা অহা ভূটীয়া লোক সকলেও এই সম-য়তে মহামুনি দৰ্শনৰ বাবে হাজোলৈ আহে।

শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, শিৱৰাত্ৰি, দূৰ্গাপূজা, লক্ষ্মীপূজা, সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, কালী-পূজা, মনসা পূজা আদি উৎসৱ পূৰ্ণোদ্যমে ৰাজহুৱা ভাৱে পালন কৰা হয়। দৌলযাত্ৰা ৰজা ফাকুৱা, মদনচতুৰ্দ্দশী, বাৰুণী, অশোকা-ষ্টমী আৰু আটাইবোৰ দোমাহী বা সংক্ৰান্তি এই গাঁৱত বিশেষ জাকজমকতাৰে পালন কৰা



হয়। এই পৰ্ব্ব বা উৎসৱ কেইটাত হয়গ্ৰীৱমাধৱ কেদাৰেশ্বৰ আৰু কামেশ্বৰৰ চলন্ত বিগ্ৰহ সিংহা-সনত লৈ গান বাদ্য বাজনাৰে শোভাযাত্ৰা কৰি নগৰ পৰিভ্ৰমন কৰোৱা হয়। অশোকাষ্টমীৰ দিনা এই বিগ্ৰহ সমূহ শোভাযাত্ৰা কৰি শোৱালকুছি-লৈকে নিয়া হয়, ব্ৰহ্মপুত্ৰত স্নান কৰোৱা হয় আৰু অশোকাষ্টমী মেলাত যোগদান কৰে। এইবোৰৰ উপৰিও মহাপুৰুষ সকল শ্ৰীশংকৰদেৱ, শ্ৰীমাধৱ দেৱ, শ্ৰীদামোদৰ দেৱ শ্ৰীভট্টদেৱ আদিৰ জন্ম আৰু মৃত্যুতিথিও আড়ম্বৰ পূৰ্ণ ভাবে পালন কৰা হয়। উৎসৱ পালনৰ বিশেষ বৈশিষ্ট্য হ'ল—প্ৰায় সকলো ধৰ্মপন্থাৰ লোকে এই উৎসৱ পৰ্বসমূহত আন্তৰিকতাৰে যোগদান কৰে, ভেদাত্মক মনো-ভাৱ দেখা নাযায়। গাওঁখনৰ ইছলাম ধৰ্মী-লোক সকলেও পীৰ আউলীয়া চাহাবৰ উৰুচ, মহৰম, ফটিহা-ই-দোয়াজ্ দাহাম্, ঈদ্-উল্-ফিট্ৰ, ঈদ্-উজ-জোহা আদি উৎসৱ মহাসমাৰো-হেৰে পালন কৰে। কোনো কোনো পৰ্ব্বত হিন্দু-ধৰ্মৰ লোকেও যোগদান কৰে!

**জনগনৰ ফুলনি হাজো :-** ফুলনিৰ একেজাতীয় একোডৰা ফুলৰ দৰে হাজো গাওঁ একে উপজাতি তথা একে ব্যৱসায়ৰ লোক বসতি কৰা সাতাইশখন টোলা বা চুবুৰীত ভাগ ভাগ হৈ আছে। জন সমষ্টিৰ মূল ভাগ দুটা হিন্দু আৰু মুচলমান। আটাইবোৰেই থলুৱা অসমীয়া। হিন্দু সকলৰ ভিতৰত ব্ৰাহ্মণ বসতি অঞ্চল ব্ৰাহ্মণটোলা, মালী লোক বসতি অঞ্চল মালীটোলা, মাটিৰ বাচন সঁজা অঞ্চল কুমাৰ পাৰা, চুলিকটা ব্যৱসায় কৰা চুবুৰীটো বেজটোলা ; এইদৰে সোনাৰীটোলা, কৈৱৰ্ত্ত-কঁহাৰটোলা, কোছটোলা, নম:শূদ্ৰপাৰা, গৰীয়া টোলা ইত্যাদি। মুছলিম সকলৰ ভিতৰত গৰীয়া আৰু টোলা ( গৌড়ীয় ) বৰ্ত্তমান ফকিৰটোলা, পিতলৰ মৰীয়া ( আহোম ৰজা সকলৰ দিনৰ মুছলিম বাচন তৈয়াৰ কৰা লোক ) পট্টি বৰ্ত্তমান হিচাপেও পট্টি। দেৱালয়ৰ সেৱাৰ দায়িত্বত থকা ভৰালী-কেইখনমান টোলা আছে। তাৰ ভিতৰত ভৰালীটোলা। টোলা গায়নটোলা, ওজাটোলা, আঠপৰীয়াটোলা। গাৱঁৰ নামঘৰ কেন্দ্ৰিক চুবুৰী কেইখনমান হ'ল—পাখামেলা, মহাদেৱটোলা, বৰাহটোলা, গনেশ-টোলা, ধোপৰগুৰি। জনবসতিৰ এনেধৰণৰ পৰিকল্পনা আহোম ৰজাদিনীয়া হব পাৰে বুলি ভবাৰ থল আছে।

জনসংখ্যাৰ ফালৰ পৰা বিবেচনা কৰিলে হাজো গাওঁ অসমৰ বহুনগৰতকৈ ডাঙৰ। চৰকাৰে ইয়াক নগৰ ঘোষণা নকৰিলেও ই ভাৰতৰ ভিতৰত দ্বিতীয় সৰ্ববৃহৎ গাওঁ। ১৯৭১ চনৰ লোক পিয়ল মতে অকল নিজ হাজো গাওঁখনৰ জনসংখ্যা ১০২৬৯ জন। ইয়াৰ উপৰি চকামতলী শান্তিপুৰ, বৰচাপৰি, ভেলামাৰী, কুশাবৈ আদি চুবুৰীবোৰ হাজোগাওঁৰ বৰ্দ্ধিত অঞ্চল। এইবোৰৰ জনসংখ্যাও হাজোৰ জনসংখ্যাৰ লেখত ধৰিলে ইয়াৰ জনসংখ্যা বৰ্ত্তমান ( ১৯৮৫ ) ১৭০০০ সোঁতৰ হাজাৰৰ ওপৰ হবগৈ। গাৱঁৰ প্ৰায় আটাইবোৰ লোকেই দেৱালয় বা দৰগাহৰ সেৱাইত। সেৱা খাটি দিয়া বাবে তেওঁলোকক বসবাস কৰিবলৈ খাজনাহীন মাটি ভোগদখল কৰিবলৈ দিয়া হৈছিল। এই প্ৰথা ১৯৭৪ চনলৈ প্ৰচলিত আছিল ; কিন্তু অসম চৰকাৰে দৌলদেৱালয় সমূহ অধিগ্ৰহণ কৰাৰ পিচত এই প্ৰথা লোপ পায়।

**কুটীৰ শিল্পীৰ গাওঁ-হাজো:-** হাজো গাৱঁৰ প্ৰায় ভাগ লোকেই কুটীৰ শিল্পী : ইয়াৰ তুলনাত কৃষকৰ সংখ্যা কম। মালাফুলৰ ব্যৱসায় কৰা মালী, সোণৰূপৰ গহনা তৈয়াৰ কৰা সোণাৰী, পিতলৰ বাচন তৈয়াৰ কৰা হিন্দু কহাঁৰ আৰু মুছলমান মৰীয়া, মাটিৰ বাচন তৈয়াৰ কৰা কুমাৰ, চুলিকটা নাপিত ( বেজ ) মুচি, ধূপবাতি তৈয়াৰ কৰা লোক, চূনপোৰা আৰু মাছমৰীয়া লোকেৰে গাওঁখন ভৰি আছে। কলাসুলভ মনোভাৱ থকা এইলোক সকলৰ ওপৰত সময়ৰ অভিশাপ পৰিছে। ভাৰতৰ অন্যকুটীৰ শিল্পীৰ দৰে হাজোৰ কুটীৰ শিল্পী সকলো দৰিদ্ৰতাৰ কবলত ককবকাই আছে।

**সামৰণি ঃ** এনে অৱস্থাৰ মাজেৰে ও ভাৰতীয় মহাজাতিৰ মূলসুতিৰ লগত হাজো গাঁৱে যুগে যুগে খোজ মিলাই আগবাঢ়িছে। নেতৃত্ব আৰু কলাকুশলীৰ জন্ম দাত্ৰী হাজোৰ সুসন্তান মহান

বৈষ্ণৱ কবি অনন্ত কণ্ডলী ১৬শ শতিকাতে ভাগৱতশাস্ত্র আৰু অন্যান্য পুথি সংস্কৃতৰ পৰা অসমীয়া ভাষালৈ অনুদিত কৰা বুলি Sir E.A. Gait চাহাবে তেওঁৰ History of Assam ত উল্লেখ কৰিছে! অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, প্ৰথম অসমীয়া ৰাজ্যপাল ৺বিষ্ণুৰাম মেধিৰ নেতৃত্বত হাজোবাসীয়ে ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা কথা বুৰঞ্জীয়ে স্বীকাৰ কৰে। অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনতো প্ৰাণ আহুতি দিয়া সুসন্তান সকলৰ তালিকাত হাজোৰ নামো সোণালী আখৰেৰে জিলিকি থাকিব। ইবোৰৰ উপৰিও কেইবাগৰাকী সাহিত্যিক ৰাজনৈতিক নেতা-নেত্ৰী, আইনবিদ, চিকিৎসক, সমাজ-সেৱক, ধৰ্মপ্ৰাণ ব্যক্তি আৰু শিল্পীৰ জন্ম–দাত্ৰী 'হাজো', অতীতৰ জ্ঞান-বিজ্ঞান সাহিত্য-কলা আৰু ধৰ্ম চৰ্চ্চাৰ কেন্দ্ৰস্থল। আজিও অসমৰ বিভিন্ন সামাজিক অনুষ্ঠান সমূহত হাজোৰ লোকে নেতৃত্ব লৈ থকা কথাই প্ৰমাণ কৰে নেতা-নেত্ৰী প্ৰসৱিনী হাজোৰ বৈশিষ্ট্য।।

[হাজো ৰাইজৰ উচ্চ শিক্ষাৰ বাবে মহাবিদ্যালয় এখন স্থাপনৰ আকাংক্ষা বহুদিনৰ পৰা অছিল। ৺সুৰেন দাস ডাঙৰীয়াৰ হাজো গাঁৱৰ প্ৰতি মৰম আৰু ইয়াৰ উন্নতিৰ প্ৰতি অতিশয় আগ্ৰহ থকা বাবে ১৯৭৯ চনত তেওঁৰ উদগনিতে হাজো ৰাইজে এখন মহাবিদ্যালয় স্থাপন কৰে। তেখেতৰ উপদেশ অনুসৰি তেখেতৰ পৰিয়ালে কেইবালাখো টকা খৰছ কৰি সাজি উলিওৱা মহাবিদ্যালয় ভৱনটি দান কৰে। ৰাইজে ৺সুৰেন দাস দেৱৰ নামত মহাবিদ্যালয়ৰ নাম সুৰেন দাস মহাবিদ্যালয় ৰাখে। ২০-১-৮৬ ইং তাৰিখে মহাবিদ্যালয় ভৱনৰ দ্বাৰ মুকলি উৎসৱ উপলক্ষে সেই মহান দাতা গৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি "পুৰাণ প্ৰসিদ্ধ হাজো আৰু ইয়াৰ বৈশিষ্ট্য" নামৰ প্ৰবন্ধটি তৰ্পণ কৰিলোঁ। 'লিখক']

# জ্ঞানৰ জ্যোতি

ভূপেশ মালাকাৰ

সাধু এটি শুনিছিলো আইৰ মুখৰ পৰা
জ্ঞানৰ জেউতিয়ে সূৰ্য্যক আগচি ধৰা,
আচৰিত লাগিছিল যদিও সাধুটোৰ কথা
তাত আছিল এক নিবিড় সত্যতা।

ৰামায়ণত পঢ়িছিলো,
মহাবলী হনুমানে নিজ অজ্ঞতাৰ হেতু
কৰায়ত্ত কৰিছিলে মহাপৰাক্ৰমী সূৰ্য্যক
কাষলতিৰ চেপাত ;
আজি কিন্তু,
জ্ঞানগৰ্ভ মণীষীসকলে
সূৰ্য্যক কৰিছে অস্ত্ৰোপচাৰ অতি সযতনে ;
নিগৰিছে মহান সত্য
'দা চান ইজ দা চ'ৰ্চ অফ্ অল এনাৰ্জি'।
'একচন্দ্ৰে জগতৰ অন্ধকাৰ হৰে'।

ক্ষিতী-অপ-তেজ মৰুৎ ব্যোম
জল-স্থল, আকাশ-বতাহ আৰু শ্বাস-প্ৰশ্বাসত
প্ৰসাৰতা বিয়পিছে সৰ্ব্বত্ৰ জ্ঞানৰ।
স্কাইলেব, স্পুটনিক, চেটেলাইট্,
অষ্ট্ৰেলীয়া ভাৰতৰ ক্ৰিকেট খেল,
প্ৰদ্বীপ্ত জোৱাৰ উঠে
ড্ৰইংৰুমৰ ৰঙীন টিভি পৰ্দাত,
উদ্ভাসিত কৰি দশোদিশ।
এই জোৱাৰ জ্ঞানৰ জোৱাৰ।
এই জ্যোতি জ্ঞানৰ জ্যোতি॥
'উত্তিস্থত জাগ্ৰত প্ৰাপ্য ৱৰান্নিবোধত'।

# পৰিবৰ্ত্তনৰ সোঁত

শ্ৰীযোগেশ দাস

আজিকালি কলেজক মহাবিদ্যালয় বোলে। বহুতো বিদেশী শব্দ হাড়ে-হিমজুৱে জতুৱা হৈ পৰাৰ দৰে কলেজ শব্দটোও ৰৈ যাব পাৰিলেহেঁতেন। কিন্তু 'পৰিবৰ্তনৰ সোঁতত আমি উটি যাওঁ, কালৰ যাত্ৰাত'—ৰবি ঠাকুৰৰ লগত সুৰ মিলাই আমিও কওঁ যে নতুন পুৰুষে নানান পৰিবৰ্তন বিচাৰি কিছুমান নতুন শব্দও আৱিষ্কাৰ কৰিছে। কিছুমান ভুলকৈ গ্ৰহণ কৰা হৈছে। মহাবিদ্যালয়ৰ লেখীয়া অন্য নতুন শব্দবোৰ অশুদ্ধ নহয় যেতিয়া সিবিলাকক গ্ৰহণ কৰাত আপত্তি নাই।

অকল শব্দ বাছনিতে পৰিবৰ্তন অহা নাই। উচ্চ শিক্ষা-ক্ষেত্ৰৰ বহু দিশতে আমূল পৰিবৰ্ত্তন সধা হৈছে। শব্দৰ দৰে এইবিলাকৰো কিছুমান বেয়া, কিছুমান ভাল। তাকেই আজি হাজো সুৰেন দাস মহাবিদ্যালয়ৰ নতুন ৰূপ গ্ৰহণৰ সময়ত মনলৈ আহিছে। কলেজ এখন হৈ উঠাটোৱেই নতুন কথা। মই ১৯৪৫ চনত ডিব্ৰুগড়ৰ পৰা প্ৰৱেশিকা পাছ কৰি গুৱাহাটীৰ কটন কলেজত পঢ়িবলৈ আহিছিলোঁ। হয়তো যোৰহাটৰ জে·বি-লৈও যাব পাৰিলোহেঁতেন। কিন্তু এতিয়া আৰু ইমান দূৰ অতিক্ৰম কৰি কলেজত পঢ়িবলৈ যাব নালাগে। নগৰৰ কথাই নাই, প্ৰতিখন গাৱঁৰে ওচৰে-পাজৰে কলেজ হ'ল। আগেয়ে হাইস্কুল পতাটো একোটা ডাঙৰ অঞ্চলৰ সন্মান আৰু গৌৰৱৰ প্ৰশ্ন আছিল। এতিয়া কলেজ পতাটো তেনে কথা হ'ল। ইমান দ্ৰুত পৰিবৰ্ত্তন।

কিন্তু এহো বাহ্য। এই বাহ্যিক পৰিবৰ্ত্তনে আচলতে মানসিক পৰিবৰ্ত্তনৰ কথাহে সূচাইছে। দেশত শিক্ষাৰ খুব বিস্তাৰ হৈছে। জনসংখ্যা বৃদ্ধিৰ ফলত কাম-বনৰ কাৰণে প্ৰতিদ্বন্দ্বিতা বাঢ়ি গৈছে। উচ্চ শিক্ষা নহ'লে আজিৰ দিনত সমাজত প্ৰতিষ্ঠা লাভ কৰা অসম্ভৱ হৈ পৰিছে। সেয়ে উচ্চ শিক্ষাৰ প্ৰতি সৰ্বসাধাৰণৰ আগ্ৰহ বাঢ়ি গৈছে। এই পৰিস্থিতিৰ দ্ৰুততৰ পৰিবৰ্ত্তন হব। শিক্ষিত নিবনুৱাৰ সংখ্যা বছৰি বাঢ়ি গৈছে। ডিগ্ৰী নোহোৱাকৈও চাকৰি লাভ কৰিব পৰা কথা চিন্তা কৰা হৈছে। এনে অৱস্থাত লিখা-পঢ়াৰ প্ৰতি ৰাইজৰ ধাউতি বাঢ়ি যাবই। য'ত বা এখন মহাবিদ্যালয় আছে তাত দুখন-তিনিখন হৈ যাব।

আমাৰ ল'ৰা-ছোৱালী কিমান সুশিক্ষিত হৈছে বুলি প্ৰশ্ন কৰিলে সহজে উত্তৰ দিব নোৱাৰি। আখৰ, ভাষা আৰু জ্ঞান আয়ত্ত কৰিলেই শিক্ষিত নহয়। এজন অনাখৰী খেতিয়ক মানুহো ডিগ্ৰীধাৰী এজনতকৈ বেছি জ্ঞানী হব পাৰে। আমাৰ প্ৰাচীন ধৰ্ম আৰু কৃষ্টিয়ে গাৱঁলীয়া মানুহ এজনক যিদৰে মাৰ্জিত, নম্ৰ আৰু জ্ঞানী কৰি তুলি আহিছে, সিমানখিনি আধুনিক খৰচী শিক্ষাই কৰিব নোৱাৰিবও পাৰে। এখন গাৱঁৰ ল'ৰা এজনে ওকালতি কৰিবলৈ লোৱাৰ পিছত গাৱঁৰ সভা এখনত ইংৰাজীৰে বক্তৃতা দিয়া দেখিছিলোঁ—তেওঁৰ কথা জেঠা-খুৰা আই-বাইহঁতে নুবুজিলে—তেন্তে কি লাভ হ'ল? শিক্ষাৰ পৰা



তেওঁৰ একো লাভেই হোৱা নাই বুলিব লাগিব। শিক্ষাই জগৎখনক চিনাত সহায় কৰে। জগতক চিনিব পাৰিলে সকলো অৱস্থাৰ লগত খাপ খুৱাই চলিব পাৰি—আন দহজনকো সেই পথেৰে লৈ যাব পাৰিলে সেই শিক্ষাৰ সাৰ্থকতা। শিক্ষাই এজনক প্ৰকৃত মানুহ কৰি তুলিব পাৰে—যাৰ ক্ষেত্ৰত সেইটো হোৱা নাই তেওঁৰ ক্ষেত্ৰত তেওঁৰ শিক্ষা ব্যৰ্থ হৈছে। সংস্কৃতিবান হোৱাটোৱেই শিক্ষাৰ মূলমন্ত্ৰ। এই মূলমন্ত্ৰত প্ৰতিজন শিক্ষাৰ্থীক দীক্ষিত কৰিব লাগে।

আজিকালি সদায় অভিযোগ উঠি থাকে যে ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথি নপঢ়ে, খালি 'নোটছ' পঢ়ে; যে পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰাটোকে নিয়ম কৰি লৈছে; যে বি-এ পাছ কৰা জনেও কি অসমীয়া কি ইংৰাজী কোনোটো ভাষাতে চিঠি এখন শুদ্ধকৈ লিখিব নোৱাৰে; ইত্যাদি। এইটো হোৱা উচিত নহয়। নিয়ম নাথাকিলে সামাজিক বিশৃঙ্খলাৰ সৃষ্টি হয়। তেতিয়া সকলোৰে অপকাৰ হয়। অসমীয়া ভাষাৰ কাৰণে আন্দোলন কৰিব, অথচ অসমীয়া শুদ্ধকৈ লিখিব নোৱাৰিব, ই কেনে কথা? ইংৰাজী অবিহনে ভাৰতৰ ভিতৰে-বাহিৰে আমি কণা—সেই ইংৰাজীক অৱহেলা কৰাটোও অনুচিত হৈছে।

ইয়াৰ কাৰণে দায়ী সমাজ ব্যৱস্থাৰ অৱনতি। কঠোৰতা অৱলম্বন বিনে ইয়াৰ প্ৰতিকাৰ নাই। ৰাজনীতিত থকা মানুহে ভোটাৰৰ মন যোগাই চলাৰ দৰে ল'ৰা-ছোৱালীৰ মন যোগাই চলিলেই নহব—তেওঁলোকক ভাল কৰিবও লাগিব।

● ●

# 'হেমকোষ আৰু বানান ৰীতি'

ডঃ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী

"হেমৰ কোষেৰে ওখ দ'ল সাজি
ভাষাক সাৰথি ধৰি,
নুমাব খোজা অসমীয়া নাম
ৰাখিলা জিলিকা কৰি।"
(পদ্মনাথ গোহাঞি বৰুৱা)

অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ হেমকোষেই দৰাচলতে অসমীয়া ভাষাক সঞ্জীৱিত কৰিলে, নতুন প্ৰাণ দিলে, বিশেষকৈ যি সময়ত ব্যাপ্তিষ্ট মিছনেৰীসকলে অসমীয়া ভাষা-সাহিত্যৰ সুদীৰ্ঘ ঐতিহ্য মণ্ডিত গতি-প্ৰবাহত ইংৰাজী আদি ভাষাৰ সৰলীকৃত আখৰ জোঁটন নীতিৰ অনুকৰণত এটা অস্বাভাৱিক সৰলীকৰণৰ কৰ্মপন্থা হাতত লৈছিল—সেই সন্ধিক্ষণতে হেমচন্দ্ৰ বৰুৱাৰ আবিৰ্ভাৱ। তেওঁৰ "অসমীয়া ব্যাকৰণ" (১৮৫৯), "পঢ়াশলীয়া অভিধান" (১৮৯২) আৰু "হেমকোষ (১৯০০) প্ৰণয়নৰ অন্তৰালত আছে সেই সময়ৰ অসমীয়া ভাষা সাহিত্য চৰ্চাত আধুনিকীকৰণৰ এক বিতৰ্কমূলক পৰিস্থিতি আৰু দেশী-বিদেশী লোকৰ অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ কল্লোলমুখী এক অভিনৱ পৰিবেশ। ব্ৰণছনৰ "অসমীয়া আৰু ইংৰাজী অভিধান" (১৮৬৭) গ্ৰন্থৰ আখৰ জোঁটন তথা বানান ৰীতিৰ প্ৰথম প্ৰধান নীতি আছিল অসমীয়া ভাষাৰ উচ্চাৰণ-ৰীতি, এই ৰীতিয়েই বানানত একক ৰীতি হব নোৱাৰে। কিয়নো অসমীয়া ভাষাটো কেৱল মানুহৰ মুখ-বাগৰি জীয়াই থকা ভাষা নহয়, পৰম্পৰাগত লিখিত সাহিত্যৰ নিদৰ্শন অসমীয়াত বিপুল। উচ্চাৰণ ভিত্তিক বানান ৰীতি কথিত ৰূপত প্ৰবৰ্তি থকা যি কোনো এটা ভাষা লিখিবৰ বাবে শুদ্ধ আৰু যুক্তিসংগত ব্যৱস্থা হ'ব পাৰে, কিন্তু অসমীয়া ভাষাৰ ক্ষেত্ৰত সেইটোকে একমাত্ৰ নীতি বুলি গ্ৰহণ কৰাটো অজ্ঞতাৰহে পৰিচায়ক। নাগামিজ, মিচিং, আনকি বড়ো ভাষাৰ ক্ষেত্ৰটো লিখিবলৈ হ'লে উচ্চাৰণ ভিত্তিক আখৰ জোঁটনকে একমাত্ৰ উপায় হিচাবে লব পাৰি। একমাত্ৰ কথিত ভাষাৰ ক্ষেত্ৰতহে এনেকুৱা উচ্চাৰণ ভিত্তিক বানান ৰীতি উৎকৃষ্ট ; কিন্তু প্ৰচুৰ সংখ্যক লিখিত সাহিত্য থকা ভাষাৰ ক্ষেত্ৰত এই নীতি ভালেমান বিভিন্ন আখৰ জোঁটন ৰীতিৰ মাজত কিয়দ সংখ্যক শব্দৰ ক্ষেত্ৰতহে গ্ৰহণযোগ্য।

হেমচন্দ্ৰ বৰুৱা প্ৰশিক্ষণ প্ৰাপ্ত ভাষাবিদ নাছিল, প্ৰবীন ভাষাবিজ্ঞানীও নাছিল। তথাপিও তেওঁৰ অসমীয়া ভাষাৰ মূল, তাৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে অতি সুন্দৰ জ্ঞান আছিল বাবেই তাৰ লিখিত ৰূপত বানান ৰীতি কেনেকুৱা হোৱা উচিত সেই কথা চমৎকাৰ ভাৱে উপলব্ধি কৰিছিল। সেই মৰ্মোপলব্ধিৰ মূলতে আছিল ব্যক্তিগত অধ্যয়ন, গভীৰ চিন্তা, বিচাৰ-বুদ্ধি আৰু গুণাভিৰাম বৰুৱা আদি মনীষীসকলৰ সাহচৰ্য্য। অৱশ্যে সমসাময়িক বঙ্গদেশ প্লাৱিত কৰা নব-অভ্যুত্থান—যাক সাধাৰণভাৱে ৰেনেছাঁ আখ্যা দিয়া হয় তাৰ দ্বাৰাও হেমচন্দ্ৰ অনুপ্ৰাণিত হোৱা বুলি ভাবিবৰ থল আছে। তেওঁ অতি সংৰক্ষণশীল ব্ৰাহ্মণৰ ঘৰত জন্ম লৈও গোড়ামি তথা অন্ধ সংস্কাৰৰ দুৰ্ঘোৰ বিৰোধী, আৰু একেদৰে যুক্তিসন্মত হলে সুপ্ৰাচীন কঠোৰ ৰীতি-নীতিকো তেওঁ সকলো পৰ্য্যায়তে স্থান দিবলৈ কুণ্ঠা বোধ নকৰিছিল। সেইটোৱে আছিল হেমচন্দ্ৰৰ জীৱনৰ অনুকৰণীয় গুণ। তেনে গুণৰ অধিকাৰী আছিল বাবেই তেওঁ অসমীয়া ভাষাৰ



লিখিত বিবিধ পুথি-পাজিত সুপ্ৰতিষ্ঠিত বানান ৰীতিক যথাযথ স্থান দিবলৈ আগবাঢ়ি আহিছিল। মিছনেৰীসকলে লোৱা বানানৰ নতুন ৰীতিকো প্ৰয়োজন অনুসৰি স্বাগত সম্ভাষণ জনাইছিল। সেইবাবে তেওঁ দুয়োখন অভিধানত সন্নিবিষ্ট কৰা অসমীয়া শব্দৰ আখৰ জোঁটন অসমীয়া ভাষাৰ উচ্চাৰণ সিদ্ধ বৰ্ণবোৰতে সীমিত কৰি ৰখা নাছিল, প্ৰাচীন পুথিত প্ৰয়োগ কৰা অথচ কওঁতে মুখত উচ্চাৰিত নোহোৱা বৰ্ণ, যেনে মূৰ্ধন্য বৰ্ণসমূহ, দীৰ্ঘ স্বৰবৰ্ণ সমূহৰ প্ৰয়োগ কৰিছিল। এই বিষয়ত তেওঁ সততে অনুপ্ৰাণিত হৈছিল শব্দবোৰৰ বিকাশ, ব্যুৎপত্তি তথা Philological development তথা Etymology ৰ ধাৰাৰ দ্বাৰা। সেইবাবে তেওঁ ড় আৰু ঢ় আখৰ দুটাও প্ৰয়োগ কৰিছিল। আনহাতে জ-ৰ দৰে উচ্চাৰিত স্থানত য় নতুন আখৰটোক স্বাগত জনাইছিল। সেই একেদৰে উচ্চাৰিত হোৱা বাবে 'উঅ' ৰ ঠাইত 'ৱ' নতুন বৰ্ণটোৰ উদ্ভাৱন তথা প্ৰয়োগ কৰিবলৈ অকলে টঙালি বান্ধি ওলাই আহিছিল। এই বৰ্ণটো বঙলা, উড়িয়া ভাষাত লিখা নহয় যদিও উচ্চাৰণত পোৱা যায় আৰু সেই বাবেই সম্প্ৰতি উড়িয়া ভাষাত প্ৰায় পোন্ধৰ বছৰমানৰ পৰা কিছুসংখ্যক আগশাৰীৰ লিখকে এই বৰ্ণটোৰ প্ৰয়োগ কৰিবলৈ লৈছে। হেমচন্দ্ৰৰ ব্যাকৰণ আৰু অভিধানেই আচলতে অসমীয়া ভাষাটোক এটা শৃঙ্খলাবদ্ধ আৰু সুস্থিৰ কক্ষপথেদি আগবঢ়াত ইন্ধন যোগালে। তেওঁৰ বানান ৰীতিৰ মূল আদৰ্শ হ'ল তিনিটা— মূল শব্দ অনুসৰি, শব্দৰ উচ্চাৰণ অনুসৰি আৰু সমাজৰ জনা বুজা লোকসকলৰ দ্বাৰা প্ৰৱৰ্ত্তিত বহুদিন ধৰি চলা ৰীতি অনুসৰি। কিন্তু 'হেমকোষ' আৰু 'পঢ়াশলীয়া অভিধান' অনুধাৱন কৰিলে দেখা যায় যে তেওঁ শব্দৰ উচ্চাৰণ ৰীতিৰ প্ৰতি অধিক আকৃষ্ট হৈছিল। সেইবাবেই "মসূৰ"ৰ ঠাইত 'মচুৰ' লিখিছিল, কিন্তু ঈশ্বৰ, কৃষ্ণ আদি একেদৰেই ৰাখিছিল। আকৌ ভৰি 'ভৰী' কৰা নাছিল, নাইবা বৰ্ণৰ নানা বিবৰ্ত্তন ঘটা স্বত্বেও কাণ (কৰ্ণ), ষোল (ষোড়শ) আদিত 'ণ' 'ষ' বৰ্ণৰ প্ৰয়োগ কৰিছিল। সেইদৰে বিদেশী ভাষাৰ শব্দবোৰত কিন্তু অসমীয়া মুখৰ উচ্চাৰণ মতেহে আখৰ জোঁটন প্ৰবৰ্ত্তন কৰিছিল। সেই বাবেই ৰুচিয়া, বৃটিচ, চাহাব, বেচি, থাপৰ, উকিল, ইদলফিটৰ, ডাং লিখিছিল।

ব্যাকৰণত তেওঁ নিজেই 'অসমীয়া বৰ্ণৰ উচ্চাৰণ স্থান' আৰু 'উচ্চাৰণ সম্বন্ধে বিশেষ কথা'ত সন্নিবিষ্ট কৰা ব্যাখ্যাৰ মাজেদি অসমীয়া ভাষাৰ আখৰবোৰ আৰু উচ্চাৰণত তাৰ যিবোৰ তাৰতম্য ঘটে সেই প্ৰায়বিলাক কথাতেই উল্লেখ কৰিছে, প্ৰসঙ্গমতে যথাযথ উদাহৰণ দিবলৈকো তেওঁ পাহৰা নাই। আনকি ড়, য়, ং, ঃ এই চাৰিটা যে মূল বৰ্ণ অৰ্থাৎ আধুনিক ভাষাবিজ্ঞানীৰ ব্যাখ্যা মতে বিশিষ্ট ধ্বনি নহয় সেই কথাকেই তেওঁ প্ৰকাৰান্তৰে ব্যাখ্যা কৰি গৈছে। এইবিলাকেই সূচায় হেমচন্দ্ৰ অসমীয়া ভাষাৰ আখৰ জোঁটনত তথা বানানৰ প্ৰয়োগত কিমান প্ৰগতিশীল আৰু কিমান সতৰ্ক আছিল। সেই একেদৰে 'ৰেফ'ৰ প্ৰয়োগত বৰ্ণৰ দ্বিত্ব হোৱা কথাৰ উল্লেখ যিদৰে কৰিছে সেই 'ৰেফ'ৰ অপ্ৰয়োগতো যে বৰ্ণৰ দ্বিত্ব হৈছিল (যেনে পুত্ৰ-পুত্ৰ, সত্ৰ-সত্ৰ) সেই কথাৰো উল্লেখ কৰিবলৈ পাহৰা নাই। এই ক্ষেত্ৰতো তেওঁ পুৰণি পুথিৰ পৰম্পৰাগত ৰীতি অৰ্থাৎ উল্লেখিত তৃতীয় নীতিটো অনুসৰণ কৰিছিল। প্ৰাচীন পুথিৰ লিখিত বানান ৰীতিটো বাদ দিবলৈ মন কৰা নাছিল সম্ভৱতঃ লিখিত বহুদিনীয়া কথা এটা একেবাৰে বিসৰ্জন দিয়াটো সমীচিন নহয় বুলিয়েই—যিকোনো ভাষাৰ ঐতিহ্য বা ভাষাৰ কালিকা আমাৰ গোসাঁই থাপনা সদৃশ, আত্মস্বৰূপ। নতুনত্ব আৰোপ কৰিবলৈ গৈ সেই থাপনা বিসৰ্জন দিয়াটো আত্মহত্যাৰেই সমতুল্য। সেইবাবেই হেমচন্দ্ৰই প্ৰবৰ্তন কৰা বানান ৰীতি তুলনামূলকভাৱে ব্ৰণছনৰ অভিধানত প্ৰবৰ্তিত বানান-ৰীতিতকৈ কঠিনতৰ হোৱা স্বত্বেও সমাজত বৰ্তি থাকিল, বহু পৰিমাণে সৰল বা উজু হোৱা স্বত্বেও ব্ৰণছনৰ বানান-ৰীতি যুগমীয়া হৈ নাথাকিল। অৱশ্যে প্ৰয়োজন অনুপাতে সৰলীকৰণ প্ৰয়াসৰ ৰীতিটো কিন্তু থাকিল—অন্যান্য ভাষাৰ অভিধানতো এই ৰীতিটোৰ সমাবেশ চকুত পৰে।

আধুনিক অভিধানতত্ব (Lexicology) বা অভিধান প্ৰণয়ন পদ্ধতি তথা Lexicography ৰ মূল নীতিসমূহৰ বিষদ ব্যাখ্যা নকৰি মাত্ৰ এইখিনিকে কব পাৰি যে হেমচন্দ্ৰ

বৰুৱাই সেই সম্পৰ্কে ক'ত কেনেভাৱে কি আৰ্হি লৈছিল সবিশেষ জনা নাযায় ; কিন্তু এই বিজ্ঞানসন্মত গ্ৰন্থ ৰচনাৰ মূল নীতিবোৰ বাৰুকৈয়ে বুজি পাইছিল। সেই বাবেই তেওঁৰ অভিধানত বিশেষকৈ 'হেমকোষ'ত অন্তৰ্ভুক্ত কৰা শব্দ যাক Entry of the lex বুলি কোৱা হয় সেইবোৰক যথাৰ্থ স্থান দিয়া হৈছিল, তাৰ মূলৰ নিৰ্দেশ ; অৰ্থৰ নিৰ্দেশ ; পদৰ নিৰ্দেশ আদি প্ৰায়বোৰ কথাকেই সন্নিবিষ্ট কৰিছিল। তদুপৰি 'হেমকোষ'ত আখৰৰ জোঁটন ৰীতি আধুনিক ভাষা বিজ্ঞানীয়ে Lexicography নাইবা techniques of dictionary making বুলিলে যি ব্যাখ্যা দিয়া হয় সেই ব্যাখ্যাৰ পৰিপন্থী। সেই নীতিৰ সমালোচনা হব পাৰে ; কিন্তু হেমচন্দ্ৰৰ প্ৰৱৰ্তিত নীতি অসত্য বা অবাস্তৱ বুলি প্ৰতিপন্ন কৰাহে সম্ভৱ নহব। আকৌ অৰ্থাদিৰ উল্লেখৰ ক্ষেত্ৰতো তেওঁ আছিল যথেষ্ট সচেতন, য'ত মূল নিৰ্ণয়ত সন্দেহ নাই তাত মূল শব্দেৰেই অৰ্থৰ উল্লেখ কৰিছে, য'ত তেনে সম্ভৱ হোৱা নাই তাতহে ইয়াৰ ব্যতিক্ৰম ঘটিছে। শব্দ বুজি ছবি দিয়াও অভিধানৰ নিয়ম। সেই কথাও হেমচন্দ্ৰই জানিছিল বাবেই—'মাছ' শব্দৰ লগত মাছৰ এটি অতি চমৎকাৰ ছবি দিছে। অৱশ্যে এই একোটা ছবিহে পাওঁ আমি অভিধানখনত, আন কোনো ছবি নথকাৰ ব্যাখ্যা একো নাপালেও লিখকৰ মৃত্যুৰ পাছত ছপা হোৱা বাবে পুথিৰ পাণ্ডুলিপিত এই বিষয়ত অপূৰ্ণতা থকাৰ ইংগিত দিয়ে। হয়তো জীৱন কালত ছপা হোৱা হ'লে হেমচন্দ্ৰই মাছৰ ছবিটোৰ সকলো অঙ্গ-প্ৰত্যঙ্গ স্পষ্টভাৱে প্ৰকাশ পোৱা দৰে আৰু কিছু সংখ্যক ছবি দিলেহেঁতেন। সেই-বোৰ জল্পনা-কল্পনা নকৰিও কব পাৰি যে হেমচন্দ্ৰৰ 'হেম-কোষ' আজি আমি যি ৰূপত দেখিবলৈ পাইছোঁ সি অসমীয়া ভাষাৰ অভিধানৰ এক পূৰ্ণাঙ্গ ৰূপ। যি দুই এটা কথা ইয়াৰ পৰা বাদ পৰিছে যেনে—উচ্চাৰণ ৰীতি সেইখিনি তেওঁ ব্যাকৰণত ইতিপূৰ্বে সবিশেষ উল্লেখ কৰি গৈছে। হেমচন্দ্ৰ বৰুৱাই ভালদৰে বুজিছিল যে ব্যাকৰণ আৰু অভি-ধান যিকোনো ভাষাৰ পৰস্পৰ পৰিপূৰক, এখনক বাদ দি আনখন সম্পূৰ্ণ নহয়। সেইবাবেই ব্যাকৰণত যি নিয়মবিধি আদিৰ উল্লেখ কৰিছে অভিধানৰ বানান তথা আখৰ জোঁটনত তাৰেই প্ৰতিফলন ঘটিছে।

সংস্কৃত বানান আৰু প্ৰাচীন ঐতিহ্যৰ প্ৰতি থকা স্বাভা-ৱিক প্ৰীতিৰ বাবেই তেওঁৰ বানান ৰীতিত ষত্ব আৰু নত্ব বিধিৰ প্ৰতি বিশেষ চকু দিয়া দেখা যায়। তত্ত্বৱ শব্দত সেই ষত্ব আৰু নত্বৰ আঁচোৰ বৈ যোৱাৰ কাৰণ শব্দটোৰ মূলৰ লগত থকা সম্পৰ্ক ; কৰ্ণ–কাণ, কণ্টক—কাঁইট, শৃগাল—শিয়াল, ষণ্ড—ষাঁড় আদিত থকা মূৰ্ধন্য বৰ্ণৰ প্ৰয়োগত সেই কথাৰ তাৎপৰ্য্য ওলাই পৰে।

অভিধান তত্ত্বৰ নীতি আৰু আদৰ্শৰ দৃষ্টিকোণৰপৰা চাবলৈ গ'লে 'হেমকোষ' নিঃসন্দেহে এখনি অতি উত্তম অভি-ধান। নানা চেষ্টা সাধ্য কৰি তথাকথিত আধুনিক দৃষ্টি-ভঙ্গীৰে কেবা গৰাকী লোক ব্যক্তিগত কিম্বা সমূহীয়াভাৱে অসমীয়া ভাষাৰ অভিধান প্ৰণয়নত প্ৰবৃত্ত হৈছে, কিন্তু তেনেকুৱা কোনোখন অভিধানেই 'হেমকোষ'ৰ উৰ্দ্ধৰ কথা নকওঁ সমপৰ্য্যায়লৈকে যাব পৰা নাই। সিবোৰত কেৱল নতুন শব্দ কিছুমান অৰ্থসহ সংযোজিত কৰিব পাৰিছে, আৰু শব্দৰ আখৰ জোঁটনত দুই-এটা নিয়মৰ সমাবেশ কৰিবলৈ প্ৰয়াস কৰিছে বঙলা 'চলন্তিকা'—'সংসদ' নাইবা হিন্দী অভিধানৰ অনুকৰণত ; কিন্তু আখৰ জোঁটনৰ তথা বানানৰ মূল নীতিৰ (Fundamental Principles) ক্ষেত্ৰত 'হেমকোষ'ক ছেই যাব পৰা নাই, তাতেই ৰৈছে। সেইসকলেও লিখোঁতে কিবা সন্দেহ উপজিলে তাৰ মীমাংসা বিচাৰি 'হেমকোষ'-নো কি কৈছে, অসমীয়া ব্যাকৰণত কি লিখা আছে বুলি পাত লুটিয়াবলৈ বাধ্য হয়। সেই কাৰণেই 'হেমকোষ' সঁচাকৈয়ে 'হেমকোষেই', আজি প্ৰায় এশ বছৰ হওঁ হওঁ—তথাপি হেমকোষৰ বানান ৰীতি জীৱন্ত অৱস্থাত। তাৰ সংশোধনৰ ব্যৱস্থা সমাজে ভবা নাই। সেইকাৰণেই আজি শত বছৰ পূৰ্ণ হবৰ উপক্ৰমতো 'হেমকোষ'ৰ উৎকৃষ্টতা বৰ্ত্ত-মান। হেমচন্দ্ৰ বৰুৱাৰ দ্বাৰা প্ৰৱৰ্তিত অসমীয়া ভাষাৰ বানান ৰীতি আৰু 'হেমকোষ' সেইবাবেই এখনি উৎকৃষ্ট অভিধান।

# সুৰেন দাস মহাবিদ্যালয়

শ্ৰীভূপেশ মালাকাৰ
সম্পাদক
প্ৰস্তুতি কমিটি
সুৰেন দাস মহাবিদ্যালয়, হাজো

শিক্ষা সভ্যতা সংস্কৃতিৰ স্বকীয় বৈশিষ্ট্যৰে পৰিপুষ্ট হাজো এখন সুপ্ৰাচীন ঠাই। ধৰ্মানুষ্ঠান সমূহে এহাতে যিদৰে এই ঠাইৰ ধ্বজা বহন কৰিছে, সেইদৰে ঐতিহা-সিক প্ৰসিদ্ধতায়ো এই ঠাইক মহীয়ান কৰি তুলিছে। কোচ ৰজা সকলৰ দিনত ৰাজ্যৰ মৰ্য্যাদা পোৱা এই ঠাই-খনে আহোম স্বৰ্গদেউ সকলৰ পৰাও সমাদৰ পাইছিল। মোগল সকলে এই ঠাইত বাহৰ পাতিছিল।

দেশৰ স্বাধীনতা সংগ্ৰামত হাজোৰ অৱদান সূক্ষ্ম হ'লেও উলাই কৰিব পৰা বিধৰ নহয়। স্বাধীন অসমৰ দ্বিতীয় গৰাকী মুখ্যমন্ত্ৰী, প্ৰথম অসমীয়া ৰাজ্যপাল স্বনামধন্য বিষ্ণু-ৰাম মেধি ডাঙৰীয়া আমাৰ সকলোৰে গৌৰৱৰ স্থল। হাজো বুলিলে কেন্দ্ৰীয়ভাৱে ই এটা অঞ্চল য'ত প্ৰতিখন ঠাইৰ সুকীয়া বৈশিষ্ট্য বিদ্যমান। যোৱা তিনিটা দশকত শিক্ষাক্ষেত্ৰত অঞ্চলটোৰ আশানুৰূপ প্ৰগতি হৈছে যদিও উচ্চ শিক্ষাৰ বাবে কোনো অনুষ্ঠান গঢ়ি নুঠাত এই প্ৰগ-তিত কিছু অন্তৰায়ৰ সৃষ্টি হৈছিল। এই অন্তৰায় দূৰ কৰিবলৈ অঞ্চলৰ বিদ্যোৎসাহী লোক সকলে পূৰ্বতে একাধিক প্ৰচেষ্টা হাতত লৈও মুখ্যতঃ আৰ্থিক দুৰৱস্থা আৰু বিভাগীয় অনুমতিৰ কাৰণে ৰাইজৰ আশা আকাঙ্খা পূৰণ কৰিব পৰা নাছিল। ১৯৭৮ চনৰ পৰা পুনৰায় এই চেষ্টা হাতত লোৱা হয় আৰু হাজোত এখন মহা-বিদ্যালয় স্থাপনৰ বাবে কাম আৰম্ভ কৰা হয়। হাজো ৰাইজে লোৱা সিদ্ধান্তৰ মৰ্মে প্ৰথমতে অঞ্চলৰ ৰাইজে এই কামৰ বাবে সমিতি গঠন কৰি দিছিল যদিও পিছলৈ এই কামৰ দায়িত্ব স্থানীয় ৰাইজেই গ্ৰহণ কৰে। 'হাজো ৰাইজ' অনুষ্ঠানটোৱে এই দিশত সিদ্ধান্ত আৰু দায়িত্ব গ্ৰহণ নকৰা হ'লে কলেজ স্থাপনৰ বিষয়টো আৰু কিমান বছৰলৈ যে পিছুৱাই গ'লহেঁতেন তাক কোৱা টান। এই কামৰ বাবে প্ৰাথমিক অৰ্থসাহায্য হাজো ৰাইজেই দিছিল আৰু পিচলৈও ৰাজহুৱা আয়ৰ টকাখিনি এই কামতেই নিয়োগ কৰিছিল।

নানা আলৈ আহুকালৰ মাজেদি গুৱাহাটী বিশ্ববিদ্যা-লয়ৰ অনুমতি লৈ ২৯।৮।৭৯ তাৰিখে এই অনুষ্ঠানৰ শুভা-ৰম্ভ কৰা হয়। প্ৰথম পৰ্য্যায়ত ৪২ জন ছাত্ৰ-ছাত্ৰীয়ে ইয়াত নাম ভৰ্ত্তি কৰে। উদ্বোধনী অনুষ্ঠানত পৌৰহিত্য কৰিছিল এই অঞ্চলৰ এগৰাকী শিক্ষাব্ৰতী ৺ৰূপৰাম ডেকাই। তেতিয়াৰ বিধায়ক শ্ৰীৰবীন্দ্ৰ নাথ মালাকৰ এই অনুষ্ঠানত মুখ্য অতিথি আছিল। ইয়াৰ আগতেই আজীৱন শিক্ষা-ব্ৰতী শ্ৰীকণ্ঠিৰাম দাসে পাঠদান কাৰ্য্যৰ আৰম্ভনি কৰিছিল।

প্ৰথমতে হাজো আঞ্চলিক মহাবিদ্যালয় হিচাবে গঢ় লোৱা এই অনুষ্ঠানখনৰ নাম বৰ্ত্তমান সুৰেন দাস মহা-বিদ্যালয়। ৰাজহুৱা উদ্যোগত মহাবিদ্যালয় এখন স্থাপন কৰা কামটো অতি দুঃসাধ্য। আমাৰ এই ঠাই অৰ্থনৈতিক দিশত অতীব দীন। বুজন পৰিমাণৰ দান-বৰঙণি দিব পৰা লোক নিচেই তাকৰ। সেয়েহে এইক্ষেত্ৰত হাজোৰ ৰাইজে কৃতীব্যৱসায়ী গুৱাহাটী নিবাসী শ্ৰীসুৰেন দাসৰ ওপৰত ভেজা দিছিল। শ্ৰীদাসেও এই ক্ষেত্ৰত উদাৰ মনো-ভাবেৰে আগবাঢ়ি আহিছিল। আৰম্ভনিৰে পৰাই তেওঁ এই অনুষ্ঠানৰ কোষাধ্যক্ষ আছিল। প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীৰ কাৰণে আৱশ্যকীয় ভৱনটো শ্ৰীদাসে সাঁজি দিবলৈ

ইচ্ছা কৰিছিল প্ৰতিদান বিহীন ভাবে।

নিয়তিৰ নিষ্ঠুৰ পৰিহাস। ভৱন নিৰ্মাণৰ কাম আৰম্ভ নোহওঁতে অকালতে আকস্মিক ভাবে এইজনা সমাজসেৱী আমাৰ মাজৰ পৰা গুচি গ'ল। এওঁৰ স্মৃতি ৰক্ষাৰ্থে প্ৰস্তুতি সমিতিয়ে মহাবিদ্যালয়ৰ নাম সলনি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। বিনিময়ত ৺দাসৰ পৰিয়ালৰ লোকসকলে আগ্ৰহে এই ভৱন নিৰ্মাণৰ কামত ব্ৰতী হৈছে। এইটো সন্তোষৰ কথা। এই ভৱনৰ আধাৰশিলা গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড· যামিনী মোহন চৌধুৰী দেৱে স্থাপন কৰিছিল। ভৱনৰ যাবতীয় নক্সা তেওঁলোকৰ লগত আলোচনামৰ্মে কৰা হৈছে। এই নক্সাৰ কাম সম্পূৰ্ণ হবলৈ আৰু কিছু বাকী আছে। ভৱনৰ মুঠ কালি বাৰ হাজাৰ আঠশ বৰ্গ ফুট। সন্দেহ নাই যে সম্পূৰ্ণ ভৱনটোৱে মহাবিদ্যালয়খনক স্বকীয়ৰূপ প্ৰদান কৰিব।

মহাবিদ্যালয়ৰ ডিজাইন সম্পাদনৰ কাম কৰ্ম্মপটু অভিযন্তা শ্ৰীঅনন্ত কুমাৰ দাস আৰু নক্সা সম্পাদনৰ কাম ৺ পৰমেশ (বেবী) দাসে কৰিছিল। এইখিনিতে শ্ৰীহেমন্ত বৰ্মনৰো শলাগ লৈছোঁ। অৰ্থনৈতিকভাবে ইমান পিচপৰা এখন ঠাইত আজি সাতবছৰে কিদৰে অৰ্থ সংগ্ৰহ কৰি অনুষ্ঠানখন চলাই থকা হৈছে তাক কেৱল পৰিচালনাত জড়িত থকা সদস্যসকলেহে জানে। আজি পৰ্যন্ত ব্যয় হোৱা প্ৰায় চাৰিলাখ টকাৰ আধাৰো বেছি বহন কৰিছে হাজোৰ ৰাইজে। সকলো শ্ৰেণীৰ লোকে পাৰ্য্যমানে দান বৰঙণি দিছে। হাজো ১ নং গাওঁ পঞ্চায়ত সমবায় সমিতিয়ে আশানুৰূপ সহায় আগনবঢ়োৱা হ'লে এই অনুষ্ঠান নিশ্চয় বিপৰ্য্যয়ৰ সন্মুখীন হ'লহেঁতেন। অনুষ্ঠানৰ কৃতকাৰ্য্যতাৰ অংশীদাৰ এই সকলোৱে। তথাপিও, কেইজনমান মুষ্টিমেয় মানুহৰ নেৰানেপেৰা চেষ্টা-চৰ্চাই অনুষ্ঠানটোৰ কৃতকাৰ্য্যতাৰ চাবি-কাঠি বুলি কব লাগিব।

আজি মহাবিদ্যালয় যিখিনি মাটিৰ ওপৰত প্ৰতিষ্ঠিত সেই মাটিৰ গৰাকী মহাপুৰুষ শ্ৰীশ্ৰীমাধৱ দেৱ স্থাপিত প্ৰসিদ্ধ ধোপৰগুৰি সত্ৰ। ইয়াৰ সমূহ ভকত লগ হৈ ভৱন নিৰ্মাণৰ কাৰণে ১৪ বিঘা ৩ কঠা ৭ লেচা মাটি ৰেজিষ্টাৰ্ড দলিল যোগে দান কৰিছে। তাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছো। সময়ত দুয়োটা অনুষ্ঠানৰ মাজত মধুৰ সম্পৰ্ক স্থাপন হোৱাটো সমীচীন হব। তদুপৰি, ইয়াৰ গাতে লাগি থকা অধিক মাটি স্থানীয় পট্টাদাৰসকলে দান দিলে মহাবিদ্যালয় পূৰ্ণতাপ্ৰাপ্ত হবলৈ বেছি দিন নালাগিব।

মহাবিদ্যালয়খন সম্প্ৰতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা স্নাতক মহলালৈ সম্বন্ধিকৃত আৰু অসম চৰকাৰৰ দ্বাৰা অনুমোদিত। মহাবিদ্যালয়ত শিক্ষাদানৰ বিষয় সমূহৰ ভিতৰত ইংৰাজী, অসমীয়া, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান, বুৰঞ্জী আৰু শিক্ষা। ইয়াত বৰ্ত্তমান অধ্যক্ষৰ উপৰিও তেৰজন প্ৰবক্তা আছে। ইয়াত এটা এন, এচ, এচ, ইউনিট আছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে চৰকাৰৰ পৰা জলপানী পাই আছে। বৰ্ত্তমান ইয়াত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা পাঁচশৰো ওপৰ।

মহাবিদ্যালয় আৰম্ভনিৰ পৰা শিক্ষাৰ দিশত যি সকল লোকে গুৰি ধৰিছিল তাৰ ভিতৰত অধ্যাপক ইক্ৰামুদ্দিন শইকীয়া, ড° টি, চি, ৰাষ্টোগী আৰু ড° প্ৰমত্ত চৌধুৰী। এই সকলৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা যাছিছোঁ। বৰ্ত্তমানৰ মুৰব্বী ড° দয়ানন্দ পাঠক। অনুষ্ঠানৰ শ্ৰীবৃদ্ধি এওঁৰ ওপৰত নিৰ্ভৰ কৰিছে। সেয়েহলেও পৰিচালনা সমিতিৰ দায়িত্ব গধুৰ। সকলো ক্ষেত্ৰতে দায়িত্বসহকাৰে প্ৰণালীবদ্ধভাবে কাম কৰিলেহে অনুষ্ঠানখনৰ মঙ্গল হব। বৰ্ত্তমানলৈ পৰিচালনা কমিটিৰ সদস্যসকলে যি কাম কৰিছে সি অতুলনীয়। আৰম্ভনিৰে পৰা প্ৰবক্তা আৰু ছাত্ৰ-ছাত্ৰী সকলেও অশেষ ত্যাগ স্বীকাৰ কৰিছে। প্ৰতিষ্ঠালগ্নৰে পৰা অনুষ্ঠানটোৰ হকে কাম কৰা কিছু সদস্য ইতিমধ্যে আমাৰ মাজৰ পৰা হেৰাই গৈছে। তাৰে ভিতৰত ৺মহেশ বিশ্বাসী, ৺কুটুবদ্দিন গাওঁবুঢ়া, ৺ফটিক কলিতা, ৺মঃ জালালুদ্দিন, কাচিম আলী, ৺ধনেশ্বৰ দাস আৰু হৰেন মহাজন। এই সকলৰ আত্মাই শান্তি লভক।

অনুষ্ঠানখনৰ বৰ্ত্তমান প্ৰগতিৰ কিছু কৃতিত্ব কান্দাৰাম উচ্চতৰ মাধ্যমিক স্কুলৰ প্ৰাপ্য। তেতিয়াৰ স্কুল পৰিচালনা সমিতি আৰু অধ্যক্ষ শ্ৰীজনাৰ্দ্দন মেধিৰ একক প্ৰচেষ্টাৰ কাৰণে স্কুলখনৰ ঘৰ-দুৱাৰ, আচ-বাব প্ৰয়োজন



অনুসৰি ব্যৱহাৰ কৰিব পৰা হৈছিল। ইয়াৰ শিক্ষক, ছাত্ৰ আৰু কৰ্মচাৰী সকলৰ শলাগ নলৈ নোৱাৰি। তদুপৰি স্কুলৰ কেইজনমান ঐচ্ছিক বিষয়ৰ শিক্ষকে মহাবিদ্যালয়ৰ আৰম্ভনিতে পাঠদান কাৰ্য্যতো সহায় কৰিছিল। তেতিয়াৰ মহাবিদ্যালয় পৰিদৰ্শক শ্ৰীক্ষিতীশ চন্দ্ৰ মেধি ডাঙৰীয়াৰ দিহা-পৰামৰ্শয়ো অনুষ্ঠানখনক অশেষ সহায় কৰিছে। তেতিয়াৰ উপসংমণ্ডল বিষয়া শ্ৰীৰৌচান আলীয়েও কম সহায় কৰা নাই। স্থানীয় বিষয়া সকলৰ সহায়-সহযোগ সদায় স্মৰণ কৰিব লাগিব।

হাজোত যিসকলে কলা মহাবিদ্যালয় স্থাপনত অসন্মতি প্ৰকাশ কৰি আকাশত চাংপাতি ভুৱা আদৰ্শৰ বিপনি মেলিব খুজিছিল সেইসকলে সদ্যহতে ঠাইখন উদ্ধাৰৰ এই ৰক্ষা কবচটোকে পিন্ধক। পিচলৈ বিভিন্ন ৰেহ-ৰূপত চাব পৰাৰ ব্যৱস্থা ইয়াত থাকিব।

সুৰেন দাস মহাবিদ্যালয় হাজোৰ নব্যকীৰ্ত্তি। ইয়াৰ প্ৰতিষ্ঠা মন্থনৰ সকলোখিনি স্থানীয় প্ৰতিজন লোকৰ। তত্ৰাচ, প্ৰাসঙ্গিকতাৰে উল্লেখ কৰো স্বৰ্গীয় সুৰেন দাসৰ একাগ্ৰতা আৰু বদান্যতা। তেওঁৰ পিচত তেওঁৰ সুযোগ্যা সহধৰ্মিণী আৰু সুযোগ্য পুত্ৰসকলে এই কামত পিচহোহঁকা নাই। এওঁলোকলৈ ৰাইজৰ হিয়াভৰা ওলগ।

মহাবিদ্যালয়ৰ পুথিভৰালৰ বাবে স্থানীয় হুহিৰাম মালাকাৰৰ পৰিয়ালৰ লোকসকলে কুৰি হাজাৰ টকা দিছে। সেয়ে পুথিভৰালৰ নাম হুহিৰাম স্মৃতি পুথি ভৰাল ৰখাৰ সিদ্ধান্ত কৰা হৈছে। আশা কৰা হৈছে, ৺মালাকাৰৰ পৰিয়ালে আৰু কিছু ধন আগবঢ়াব।

শেষত, 'পঢ়া-শুনা কৰে যিয়ে, ঘোঁৰা-গাড়ী উঠে সিয়ে' একালৰ এই মনোগ্ৰাহী প্ৰলোভনটো আজি তেনেই নিৰৰ্থক আৰু ফাক্‌কা হৈ গৈছে। কিন্তু, সেয়ে হলেও কিছুসংখ্যকেও যাতে নিজক প্ৰস্তুত কৰাৰ নূন্যতম সুবিধাকণ আহৰণ কৰিব পাৰে তাৰ বাবেই সুৰেন দাস মহাবিদ্যালয় নতুন ভৱনত, নতুন মন-প্ৰাণ লৈ ছাত্ৰ-ছাত্ৰীসকল কৰ্ত্তব্যত ব্ৰতী হব লাগিব কিয়নো —

"বুজিব লাগিব
জিনিব লাগিব
কুসুম বনৰ ৰণ
মুহিব লাগিব বিশ্ববাসীৰ মন
তোৰ প্ৰতিভাৰে পাতিব লাগিব
সুশোভিত উপবন"

(জ্যোতিসংখ—জ্যোতি প্ৰসাদ আগৰৱালা)

এই আশা পৰমেশ্বৰে ফলিয়াওক। ঘাটি মঞ্জুৰী নোপোৱালৈ বা পোৱাৰ পিচতো ৰাইজৰ প্ৰাণ-প্ৰাচুৰ্য্যইহে অনুষ্ঠানখনৰ সোণত শুৱগা চৰাব। আত্মতুষ্টিৰ অলসতাই যাতে ইয়াক গ্ৰাস নকৰে—তাৰ প্ৰতি ৰাইজ সদা সচেতন হব লাগিব—

'এইটো নহয় হাঁহি-তামচাৰ ভাগৰ জুৰোৱা গান
ইয়ে জীৱন-মৰণ একাকাৰ কৰা অগ্নি বীণাৰ টান'

(অম্বিকাগিৰি)

প্ৰতিজন হাজোৱলীয়াই এই মন্ত্ৰ উচ্চাৰণ কৰিলে অনুষ্ঠানখন ধন্য হব—ঠাইখনৰ মুক্তি হব। ● ●

# Philanthropic Surendra Chandra Das

**Sambhu Ram Mahanta**

It is not easy to pen a sketch of late Sri Surendra Chandra Das. He possessed manifold rare qualities for which he was loved and respected by all sections of people. He was a pioneer in the fields of business, industry, religion and above all a philanthropic gentleman. There are lot of things that are to be learnt about the pure heart, spotless character, simple living and high thinking, service to fellow brethren and to the native land of Sri Das. It is sad to note that the manifold qualities of this worthy son of Assam have not yet been brought to light. I am sure that his good ideas will inspire the young generation to a great extent in the social and economic fields.

Late Sri Das made monetary help towards the newly born College at Hajo and that it has been christened in the name of late Sri Das as, 'Surendra Das College, Hajo'. After his demise, his worthy sons Sri Jadab Das, Sri Niren Das and Sri Ramen Das have been constructing the buildings of this college. It is learnt that the classes of the college are to be shifted to this newly constructed building on 20th February which is the birth-anniversary of late Sri Das. We pay our due homage to this illustrious son on this auspicious day.

Late Sri Das was born on the 20th February, 1925 at Guwahati. At that time his father late Anandiram Das originally hailing from the village Jaha near Marowa, engaged himself in bus-service business.

Late Sri Das started his academic career in the Panbazar Lower Primary School. After passing the L. P. School, he got himself admitted in Cotton Collegiate School. He passed the matriculation Examination in 1946 and got himself admitted in Arts in Cotton College. While his I. A. final examination was continuing, he suddenly fell ill and this prevented him from completing the said examination.

The precuniary condition of his family was far from solvent. Sri Das had no aptitude for any Government service. A strong desire egged him towards starting business and industries for his livelihood. Therefore, in the year 1948, he started a stationery shop called 'Suravi Store' in a rented room of the Guwahati Municipality at Fancy Bazar. In the same year he started a soap-factory under the name and style 'Suravi Chemical Works' at Kedar Road, the place of his residence. He was novice and inexperience in the field of business. But he displayed examplary patience and perseverance in running his business. During the span of



nearly 33 years, he was almost in the verge of bankruptcy nearly on eight occasions. But the encouragement and inspiration that he received from his mother enabled him to ward off any short of disappointment that might come following failure in business.

Fortune favours the brave, Sri Das regained his status once again after putting his entire energy of heart and soul in the upliftment of his business. For the last one and a half decade, Sri Das was in a position to manage the soap-factory with dexterity of highest order. The name of his workshop 'Suravi Chemical Works' had been changed and renamed as 'Jadab Soap Works' after the name of his eldest son, Jadab in the 1951.

His name and fame spread through the work-manufacture of Janata soap from the workshop. He was guided by the principle that the best article should be produced and it should be sold to market comparatively in less price. At present the soap industry has been managed under a partnership firm.

It was observed that the relationship with his employees was almost filial. This filial affections towards his employees made them feel the workshop, where they work, as their own homestends. In this way he became a pioneer in the field of soap-factory in Assam. His noble qualities and virtues of head and heart made him the 'uncrowned king' of Assam in the field of manufacturing soap.

Late Sri Das had a religious bent of mind from his childhood. He was initiated as a disciple of a renowned Tantrik precepter of Assam. He use to feed more than 200 children on the day of full-moon for the last 20 years. He took active part in the matter of repairing re-modelling and refurnishing the old and dilapidated temples and shrines. The Bhoirabi Temple of Kamakhya which was almost in a ruinous state was reconstructed and refashioned into its present glorious structure by the untiring efforts of Sri Das.

Sri Das, on the request of public undertook to get the inner portion of the Madhab Temple at Hazo repaired. Similarly, he spared no pains in making necessary repairing works of Sukleswar and Narayan Temple at Guwahati. The charitable disposition of Sri Das enabled him to construct a room at his own cost at Betkuchi High School after his name.

Sri Das was a lover of games and sports. He was a good player in badminton and football. He was a good gymnastic. He was closely associated with Guwahati Sports Association, Maharana Club, Town Club and several other clubs and associations.

Sri Das made great contributions in the field of Assamese arts and culture. He contributed generously to hundreds of Bihu Sanmilanies all over Assam. He made arrangements for performances of Nagara Nam and Oja Pali in the heart of the city of Guwahati so that people from outside Assam might have a taste in such arts and culture. He also held some big feasts and invited people of different communities so that a feeling of brotherhood and unity might be achieved.

He was not much interested with the enjoyment of the materialistic world. He often used to repeat proverbial good saying, 'One is born nacked and he goes nacked when he is to depart to other world.' Therefore, at no point of times he hankered after personal gain; gaining personal profit at the cost of others was regarded against his business ethics.

One of the aspects of his noble qualities was that in no way he was proud of his wealth. He could mix up equally with people of diffe-

rent religions, languages, caste and regions. While dealing with the olders and the youngers, whether with the high or with the law, he found to have exchanging talks with a laughing face. It is for this reason, all loved him most and he never incurred displeasure to anybody.

His name found place in the front not as a businessman but in terms of his charming popularity, his wonderful magnaminity and ever-pleasing hospitality and as a man having deep sense of philanthrophy. He struggled hard for his achievement but contributed whole heartedly for the public good and here on this point his good qualities will remain ever fresh in our memory.

Tha cruel hands of time snatched away Sri Das from our midst on the 18th of March, 1982 leaving the members of his family, relations, friends and well-wishers mooning and sobbing like a child. Thus ended the glorious chapter of a worthy son of Assam. May God keep the soul of Sri Das in eternal bliss and peace.

The sweet memories that he left in the sand of time will ever be remembered.

●●

# A College of my Vision

**Dr. Dayananda Pathak**
Principal
Suren Das College, Hajo

As a humble worker of Suren Das College, which is a relatively newborn academic institution, I certainly do have something very special in the recess of my mind as regards its futuristic shape and colour. The very geographical location of the college has added an extra dimension to the institution. Hajo is the meeting point of three religio-cultural streams. It is a unique land of perfect communal harmony and cultural assimilation. It is the nesting place of three major religions like Hinduism, Islam and Buddhism. What is quite fascinating a single temple like the Hayagrib Madhav Mandir has offered nesting place to two major religions like Hinduism and Buddhism under the same roof. This is a unique feature in world culture. In that light Hajo is the torch-bearer of a new cultural order in the world of today. So, the academic institution I am associated with both physically as well as emotionally has some distinct role to play in the act of sustaining this ageold communal amity and religious understanding between the different communal and religious segments. The college must serve as a cementing force. This will be our prime duty to foster in the receptive minds of the youths a sense of national commitment through a process of communal amity, religious tolerance and cultural assimilation. As a matter of fact, Hajo is a miniscule India rather than a miniscule Assam and in that way it must help evolve a new social awareness in the minds of the young student coming from different sections of the society. This awareness will directly or indirectly help in our committed search for national harmony through a process of communal understanding.

I personally feel that mere physical or moral excellences are not enough. Creative excellence is also vitally important and this alone makes the previous two meaningful. We must move beyond that is called bookish education towards the realm of lifecentric education. A physically and morally sound man also may prove to be important. With this vision in mind I feel that an institute of rural reconstruction ought to be attached to the college. Gurudev Rabindra Nath Tagore also had this idea in mind. After having established the institution like the Santiniketan and after having observed the role played by Santiniketan he felt more or less disillusioned since the experiment was a lopsided one. Hence, he established another adjacent campus under the name 'Sriniketan' which, he believed would foster the creative genius of the youth. Under the college the students should be encouraged to take up all sorts of creative enter-

prises outside the periphery of their finer academic pursuits. Every rural art or industry should find a nesting place and due recognition under the college. In this regard Suren Das college should show a new example in the state's educational field.

Education is primarily meant for the upliftment of the community which directly or indirectly feeds the institution in a variety of ways. Every academic institution for its life and sustenance has to rely on the resourcefulness of the community. At the initial stage the community directly feeds the institution by way of donation or grant. Again, when the same is duly regularised by the government the latter relies on the resources drawn from the community indirectly by way of indirect or direct taxation. Thus, from all consideration an institution is dependent on the resourcefulness and munificance of the community from whose imaginations it springs. No academic institution can afford to ignore the wishes and aspirations of the community however unpolished or backward it might be. That is why I want my students to periodically go to the people and try to make on-the-spot assessment of their socio-economic problems and thereby fill the communication gap existing between them. Such an endeavour will difinitely lead to their mutual benefit. I want this college to be a powerful instrument of social change. My students must not only change themselves but also change the community towards a brighter future.

The new education policy enunciated by the government of India aims at putting more emphasis on workculture and this is impossible without a total revolution in our attitude towards the entire corpus of education and culture. First of all we must work out an attitudinal change and this will open up all the avenues towards a better future for the community. We cannot do anything of the short overnight. We can inject the spirit of workculture by asking them to keep their classrooms and campus clean by their own manual labour. Manual labour should be made compulsory in our syllabus. The term like 'extra-curricular' should be scrapped from academic dictionary. Every social work and manual labour or other occupations with the finer pursuits undertaken by the students cannot be underestimated by the term 'extra-curricular' activities. I will try my best to make my students know the worth of the workculture both in letter and spirit. Most of our academic institutions do not have any support with the people living in and around the institution. Most of us do not care to know their problems. What is worse we consider ourselves to be supperior to those people. An emotional barrier is being erected by the traditional education we receive from our traditional academic institutions. In my college I will not encourage this sort of snobbishness. On the contrary, I will ask my students to identify themselves with the general people. I will try my best to send them back to the people with a new set of values.

Besides, the college authority should seriously think of introducing the science stream and other economically viable professional courses to make the collegiate education more relevent to the demands of the society. We cannot remain satisfied only with the undergraduate courses. We look forward to introduce the postgraduate courses within the college with all the research facilities.

To sum up I like to reemphasise the fact that this college should serve as a catalystic agent to transform the value system of our society as a whole besides being a nerve-centre of higher learning. Let all of us individually and collectively try to translate such a vision into perfect reality. ● ●